The condition of the roads are beyond description. I was told by some of the PWD Engineers that it is because of heavy rain. I may cite two countries such as Singapore and Brazil where rains. Intensity of rains in those countries are severe.. But road conditions are extremely good. So, I would like to say that rains is not the only cause but ills lie somewhere. Sir, we are not doing justice to works so far PWD's roads are concerned.

Sir, dairy development should receive our priority attention. Our young boys do not get pure milk. Ultimately they suffer a lot. Our Dairy Development Dept. should be judiciously improved upon so that society can have pure milk for their babies.

Mr. Dy. Speaker Sir, our Police Dept. should be equipped with modern equipments. The amount provided to Police Dept. is considered inadequate. We are lagging behind compared to other advanced countries. If our Police Dept. could have modern equipments, the massacre caused recently at Nellie in Nowgong District could be transmitted quickly to District headquarters for immediate action. It is time for us to adequate attention to this important aspect. It is a sorry state of affairs that Nellie massacre was received by the Superintendent of Police, Nowgong after a lapse of 10-12 hours. All our Police Stations should

be provided with a set of wireless. In maintaining law and order situations, under the disturbed condition now perevalent in our State, the Police Department should have modern equipments.

It is very much a democratic budget. Though it is shown as surplus of 100 crores, in actual practice, it is not to the extent of surplus of Rs. 100 crores. In the last year, the deficit was to the extent of Rs. 76,16,16,000/-. But this year, the def cit has wiped out and a surplus of Rs. 24 crores has been achieved. I would request that some more allocation should be made in different heads, particularly labour and Scheduled Castes & other backward classes. Finance Minister was kind enough to allot Rs. 70 lakhs for the welfare of labour, which is not sufficient. We have 35 lakhs of labour population in Assam. In this way, we spend Rs. 2/- per head only. Similarly, the allocation for Scheduled Castes & other backward classes is Rs. 2 crores 40 lakhs. We have more than 60 lakhs of Scheduled castes and other backward class population. In this way, we allot less than Rs. 4 per head. I would, therefore, request the Hon'ble Finance Minister to look into this and allot more funds for development of those backward section of the people. Once again, I offer my sincere and grateful thanks to the Finance Minister for presentation of the bala-

nced, realistic and pragmatic budget.

Mr. Speaker—I now request Shri Hemen Das to speak.

*শ্ৰীহেমেন দাস—মাননীয় উপাধ্যক্ষ মহোদয়, জয় জয়তে এই চৰকাৰে দুটামান ভাল কাম কৰাৰ কাৰণে চৰকাৰক প্ৰশংসা কৰিব বিচাৰিছো। এইবাৰৰ চৰকাৰৰ আটাইতকৈ উল্লেখযোগ্য কাম হৈছে বৃদ্ধ আৰু বৃদ্ধা সকলক পেন্সনৰ সুবিধা দিয়াৰ কাৰণে যি ব্যৱস্থা কৰিছে সঁচাকৈয়ে এইটো বৰ ভাল কাম হৈছে। ফলত ইয়াৰ দ্বাৰা গাওঁৰ বৃদ্ধ বৃদ্ধা সকলে ভিক্ষা কৰাৰ পৰা কিছু পৰিমাণে হলেও ৰেহাই পাইছে। আনটো ভাল কাম হৈছে নিবনুৱা ডেকাক নিবনুৱা ভাট্টা দিয়া। কেৰেলা আৰু পশ্চিমবঙ্গত যেতিয়া নিবনুৱা ভাট্টা দিয়া হৈছিল তেতিয়া বহুতে ঠাট্টা বিদ্ৰূপ কৰিছিল যে চি, পি, এমৰ ডেকাৰ ৰক্ষা কৰিবলৈহে এইটো কৰা হৈছে। অৱশ্যে এতিয়া আমাৰ ইয়াতো নিবনুৱা যুবকৰ যান্ত্ৰণা উপলব্ধি কৰি নিবনুৱা ভাট্টা দিয়াৰ চৰকাৰে যি সিদ্ধান্ত লৈছে এইটো ভাল থকা হৈছে। অকল যে বি, এ পাচ কৰা ডেকাৰহে জ্বালা-যন্ত্ৰণা আছে সেইটো নহয়। বি, এ পাচ কৰিব নোৱাৰা সকলৰো সেই একেই ক্ষুধা আৰু যন্ত্ৰণা আছে। চৰকাৰক সম্পূৰ্ণৰূপে ধন্যবাদ দিম যদি আটাইবিলাক বেকাৰকে সামৰি লোৱা হয়। তাৰ পিচত মাননীয় সদস্য কেইবাজনেও উত্থাপন কৰিছে পঞ্জাবৰ বিষয়টো। পঞ্জাবত যে কৃষিৰ উন্নতি হৈছে সেইটো প্ৰকৃততে কৃষিৰ উন্নতি হৈছে নে পঞ্জাবৰ ফাৰ্মাৰৰ উন্নতি হৈছে? ১৯৬১ চনত পঞ্জাবত দিন মজুৰীৰ সংখ্যা আছিল শতকৰা ১৬ জন আৰু ১৯৭১ চনত যেতিয়া সেউজ বিপ্লৱ হ'ল তেতিয়া শতকৰা ৭৫ জন হলগৈ। যিটো পদ্ধতিৰ দ্বাৰা সমাজৰ মানুহখিনিক দৰিদ্ৰতালৈ ঠেলি দিয়া হৈছে আৰু ফাৰ্মাৰ সকল অধিক ক্ষমতাশালী আৰু ধনী হৈ পৰিছে সেই পদ্ধতিক আমি কেনেকৈ প্ৰশংসা কৰো? যি সকল মালিকৰ চাৰি বিঘা, ৬ বিঘা মাটি আছে সেই সকলৰ জীৱন যন্ত্ৰণাৰ

*Speech not corrected.

প্ৰতি দৃষ্টি দিয়া উচিত আছিল। বাজেট সম্পৰ্কে কওঁ যে চাহ বাগানৰ মালিক সকলৰ স্বাৰ্থৰক্ষাৰ কাৰণেহে এই বাজেট অনা হৈছে। কথাটো শুনি জিকাৰ খাই নেযাব। মই কোৱা নাই, আপোনালোকৰ তথ্যই ডাঙি ধৰিছে। বিত্তমন্ত্ৰী ডাঙৰীয়াই কৰ প্ৰৱৰ্ত্তন কৰা নাই কিন্তু কৰ-বিহীন বাজেট প্ৰশংসাৰ যোগ্য নহয়। এইখনটো সাম্যবাদী সমাজ নহয়, এইখন শ্ৰেণী বিভক্ত সমাজ। শোষক আছে, শোষিত আছে, যিসকল শোষক আছে সেই সকলে পইচা অনাৰ ৰাষ্টা কৰে। জনতাৰ আমোলত মাননীয় গগৈ দেৱে যিখন বাজেট উত্থাপন কৰিছিল তাত এগ্ৰি-কালচাৰ কৃষি আয়কৰ জনসাধাৰণৰ স্বাৰ্থৰ হকে বহুৱাইছিল। আৰু তাৰদ্বাৰা ধন সংগ্ৰহ হৈছিল। কিন্তু তাকে নকৰি যদি আমি কেন্দ্ৰৰ মঞ্জুৰীৰ পিচত চিৰদিন নিৰ্ভৰ কৰি গৈ থাকিলে জানো হব। তাত কি হৈছিল। ১৯৮১-৮২ চনত কৃষি আয়কৰ হিচাবে ১৪ কোটি ২৩ লক্ষ ৭৯ হাজাৰ টকা সংগ্ৰহ হৈছিল। এতিয়া তাতকৈ বহুত বেচি হব লাগিছিল। কিন্তু তাৰ ঠাইত মাত্ৰ ১২ কোটিহে হৈছে। চাহ বাগানৰ মালিকৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে বিত্তমন্ত্ৰী মহোদয়ে বাজেটত সেই মালিক পক্ষৰ পৰা কম কৈ টকা অনাৰ ৰাষ্টা কৰিছে। সেই কাৰণে মই কৈছো এই বাজেটখন অসমৰ চাহ বাগানৰ মালিকৰ স্বাৰ্থ ৰক্ষা বাজেট। তেওঁলোকক ২ কোটি টকা ৰেহাই দিয়া হৈছে। বাজেট সম্পৰ্কত ভালেমান আলোচনা বিলোচনা কৰিম, নিজেও দুষাৰ এষাৰ কথা শিকি সদনতো দুই এটা কথা কম কিন্তু মই হতাশ হৈ গলো এই কাৰণেই বিত্তমন্ত্ৰী মহোদয়ে সঠিক খবৰ নিদিলে। এইটো অতি পৰিতাপৰ কথা যে আমাৰ যি বাজেট ইয়াত দেখুৱা মতে ৰাজহ মই ইয়াত এটা বেলেগ আৰু বাহিৰত প্ৰচাৰ কৰাৰ কাৰণে বেলেগ ৰাজহ হয়। ইয়াত দেখুৱা হৈছে এক্সপ্লেনেটৰী মেমোৰেনডামৰ পেজ ৫ ত ১৯৮১ চনত ৰাজহৰ আয় প্ৰকৃততে ২ শ ৬২ কোটি ১৭ লাখ ৮২ হাজাৰ টকা সদনত বিত্তমন্ত্ৰী মহোদয়ে ডাঙি ধৰিছে।

উপাধ্যক্ষ মহোদয়, সদনৰ বাহিৰত এই বিষয়ত বিত্ত বিভাগে প্ৰেছ নোট দিছে, তাত লিখিছে ১৯৮১-৮২ চনত ৰাজহৰ প্ৰকৃত আয় ৩ কোটি ৪৭ লাখ ৫ হেজাৰ টকা। ইয়াৰ পিছত আৰু বাকী আছে ? বাইজক কোৱা হৈছে যে আমাৰ পৰা টকা ধাৰলৈ নিয়া আমাৰ বহুত টকা আছে। আমাক এটা হিচাব দিছে। এনেবোৰ কাৰণত বাজেট সম্পৰ্কত অধ্যয়ন সম্ভৱপৰ নহয়। আমাৰ কৃষি মন্ত্ৰী ৰাজবংশী ডাঙৰীয়াই কৈছে যে আমাৰ এটা পৰিসংখ্যা বিভাগ আছে তাৰ পৰা তথ্য সংগ্ৰহ কৰা হয়। কিন্তু কি তথ্য সংগ্ৰহ কৰা হয় সেই বিষয়ত আমি হতাশ। একেটা তথ্য আপোনালোকে আমাক দিছে। ১৯৭৮-৮৯ চনত যিখন অৰ্থনৈতিক পৰিসংখ্যা প্ৰকাশ হৈছে তাত ১৯৭২-৭৩ চনত ৰাজ্যিক ঘৰুৱা উৎপাদন (ষ্টেট ডমেষ্টিক প্ৰডাক্ট) ৮৩৪। সেই একে বিভাগৰে ১৯৮০-৮১ চনত যিটো পাবলিকেশ্যন তাত ৪৩৭.৩, ইয়াক প্ৰকৃত বা প্ৰভিজন বুলি লিখা নাই। ১৯৮১-৮২ চনত ইকনমিক চাৰ্ভেত লিখিছে ১৯৭২-৭৩ চনৰ ষ্টেট ডমেষ্টিক প্ৰডাক্টৰ আয় ৮৪০.৭। প্ৰতি বছৰ এইদৰে সংখ্যাৰ পৰিবৰ্তন হয়। ইয়াৰ পিচত ১৯৭৩-৭৪ চনলৈ যাওক, ইকনমিক চাৰ্ভে অৱ ষ্টেট ৮ কোটি ৭৯ লক্ষ টকা। ইয়াত লিখিছে ১৯৭৩-৭৪ চনৰ আয় হল ৮৫২। ১৯৮০-৮১ চনত যিখন কিতাপ প্ৰকাশ হৈছে তাত ৮৫৫.২। তাৰ পিচত আহক ১৯৮১-৮২ চনলৈ। তাত আছে ৮৬৬.৩।আৰু আহক, ১৯৭৪-৭৫ চনত সেই একেখন কিতাপত ৰাজহুৱা আয় দেখুৱা হৈছে ৮৫৭। ১৯৮০-৮১ চনৰ কিতাপত লিখিছে ৮৭৯.৩ আৰু ১৯৮১-৮২ চনৰ কিতাপত ৮৬৫.৩। গতিকে উপাধ্যক্ষ মহোদয়, আপুনি চাওঁক, তথ্যৰ ওপৰত ভিত্তি কৰি আমাক এই পৰিসংখ্যা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাত কাৰ স্বাৰ্থ নিহিত আছে। টেবুলত বহি বহিয়েই এই পৰিসংখ্যাবোৰ লিখি জনসাধাৰণক বিভ্ৰান্ত কৰিছে আৰু সদনকো বিভ্ৰান্ত কৰিছে। প্ৰকৃত শুদ্ধ তথ্য মানুহক দিয়া নহব নেকি ? অগ্ৰগতিৰ কথা আপোনালোকে কৈ আছে।

কিন্তু উৎপাদনৰ ক্ষেত্ৰত ধনতান্ত্ৰিক অৰ্থনীতিৰ পৰা অলপো আতৰি যাব পৰা নাই কেতিয়াবা বাঢ়িছে কেতিয়াবা কমিছে। ১৯৭১ চনৰ পৰা ১৯৮০-৮১ চনলৈকে উৎপাদন বাঢ়ি মাজতে হঠাতে কমি গ'ল। ১৯৭৩-৭৪ চনত বাজ্যিক ঘৰুৱা উৎপাদন ৮৬৫ তাৰ পিচত ৮৫২ আৰু তাৰ পিচত ৯৫২ ৰ পৰা ৯৩৬। গতিকে অৰ্থনীতিৰ গত নাই। সঁচা ভাষাত কবলৈ হলে আগবাঢ়িও যোৱা নাই পিচ পৰিও যোৱা নাই, স্থবিৰ (ষ্টেগনেণ্ট)। গতিকে অসমৰ অৰ্থনীতি সম্পৰ্কত যিটো ছবি মাননীয় মন্ত্ৰী মহোদয়ে দাঙি ধৰিছে সেইটো সঁচা ছবি নহয়।

There are indications that the tempo of growth in the SDP is being maintained in the current year. "On the other hand the per capital income at constant (1970-71) prices declined from Rs. 558 in 1980-81 to Rs. 546 in 1981-82." জনমূৰি আয় কমি গৈছে। জনমূৰি আয় কিয় কমে ? চাহ বাগানৰ মালিক আৰু পুঁজিপতি সকলৰ অৰ্থনীতিৰ ওপৰত ভিত্তি কৰা হৈছে নেকি ? দিন মজুৰি কৰা লোকসকল আৰু গৰীব লোকসকল দিনে দিনে গৰীব হৈ গৈছে। তাৰ মানে গৰীবৰ হে সৃষ্টি কৰা হৈছে। যোৱা ৩৫ বছৰে আমি কি পাইছো ? সমস্যাৰ পিচত সমস্যাৰ সৃষ্টি হৈছে। এই সমস্যা আজি মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ সৃষ্টি নহয়। এই সমস্যা যোৱা ৩৫ বছৰে আপোনালোকে সৃষ্টি কৰা সমস্যা। চাহ বাগানৰ মালিক টাটা বিৰলা আদি পুঁজিপতি সকলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ তেওঁলোকৰ আনুগত্য হৈ সৃষ্টি কৰা এই সমস্যাই আজি অসমত নিবনুৱাৰ সংখ্যা ৪ লক্ষ ১৬ হেজাৰ ৩৭ জন পোৱাইছেগৈ।

এই ৪ লক্ষ ১৬ হেজাৰ ৩৭ জন মানুহ কাৰ সৃষ্টি ? বিত্তমন্ত্ৰী মহোদয়ে কব খোজে নেকি যে এওঁলোক ভগবানৰ সৃষ্টি। ভাৰতবৰ্ষৰ টাটা, বিৰলা পুঁজিপতিসকলৰ সেৱাৰ কাৰণে যি অৰ্থনীতি, চাহ বাগানৰ

মালিকৰ কাৰেণ যি অৰ্থনীতি, জমিদাৰ সকলৰ যি অৰ্থনীতি সেই অৰ্থনীতি গ্ৰহণ কৰাৰ কাৰণে ফলশ্ৰুতিয়ে হৈছে অসমৰ মানুহৰ মাজত নিবনুৱাৰ সৃষ্টি। আজি উৎপাদন কমিছে নিবনুৱাৰ সংখ্যা বাঢ়িছে। আপোনালোকৰ বিধায়ক সকলে বাঃ বাঃ দলেই নহব—এই ৪ লক্ষ নিবনুৱাৰ জীৱনৰ সংস্থাপন দিয়াৰ কাৰণে আপোনালোকে কি পথ লৈছে? অলপতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে এই বছৰ ৩৬ হেজাৰ নিবনুৱাই চাকৰি পাব। কিন্তু ইয়াৰ পিছত বহুত লোকৰ জীৱনৰ যন্ত্ৰণা আপোনালোকে দূৰ কৰিবলৈ কি ব্যৱস্থা লব? অপোনালোকে বছৰি বছৰি সমস্যাৰ পিচত সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যা সমাধানৰ কাৰণে বাজেটত কি ইংগিত আছে? মই জনাত একো ইংগিত নাই। আমাৰ দুজনমান মাননীয় বিধায়ক বৰাদেব আৰু গগৈ ডাঙৰীয়াই উদ্যোগীকৰণত গুৰুত্ব দিছে। উদ্যোগীকৰণৰ বক্তৃতা দিবলৈ সহজ কথা। উদ্যোগত ১৪ কোটি ৫৮ লক্ষ টকা ধৰা হৈছে। তাত কি গুৰুত্ব দিয়া হৈছে? এই ক্ৰমবৰ্দ্ধমান সমস্যা সমাধানৰ কাৰণে অকল আমিয়েই নহয় আপোনালোকৰ পক্ষৰ মানুহেও কৈছে যে আমি উদোগীকৰণৰ ওপৰত গুৰুত্ব দিব লাগে। সমাজতান্ত্ৰিক অৰ্থনীতি খামোচ মাৰি ধৰি থাকিলেই নহব। কিন্তু বৰ্ত্তমান আপোনালোকে উদ্যোগৰ গুৰুত্ব উপলব্ধি কৰিব পৰা নাই। নতুন উদ্যোগৰ কাৰণে বাজেটত কোনো ইঙ্গিত নাই। এই সমস্যা জৰ্জৰিত অসমৰ যুৱক-যুৱতীক আপোনালোকে কি দিছে? আপোনালোকে একো দিব পৰা নাই। আগতেও দিব পৰা নাই, এতিয়াও নোৱাৰে আৰু আগলৈও নোৱাৰিব। আপোনালোকৰ যিটো প্ৰদৰ্শন সেই প্ৰদৰ্শনত নিবনুৱা সমস্যা সমাধানৰ পথ নাই। সেই প্ৰদৰ্শনে মানুহৰ অৱস্থাৰ উন্নতিৰ পথ দেখুৱাব নোৱাৰে। চাহ বাগানৰ মালিকক ২ কোটি টকাৰ টেক্স মাফ দিবৰ কাৰণে বিফ্ৰিজাৰেটৰ, ট্ৰেক্টিট্ৰাৰৰ কৰ মাফ দিয়াৰ কাৰণে আৰু বৃহৎ পুঁজিপতিৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আপোনালোকৰ এই প্ৰদৰ্শন।

উপাধ্যক্ষ মহোদয়, এই বাজেটখনত বিত্তমন্ত্ৰী মহোদয়ে যিটো আয়

দেখুৱাইছে তাৰে কেন্দ্ৰৰ পৰা সাহায্য কিমান পাইছে? সাহায্য (গ্ৰেণ্ট ইন এইদ) ২৩৯ কোটি ৫৭ লক্ষ ৭০ টকা বাকী ৫৬১ কোটি ৮ লক্ষ ৭২ হেজাৰৰ পৰা ২৩৯ হেজাৰ ৫৭০ টকা বাদ দিলে বাকী কি থাকিল? আমাৰ নিজস্ব সেইখিনিয়েই। ৰাজ্য চৰকাৰে আয় বৃদ্ধিৰ যিটো আঁচনি লৈছে তাৰ দ্বাৰা আপোনালোকে ইচ্ছা কৰি একো কাম কৰিব নোৱাৰে কাৰণ আপোনালোক সদায় কেন্দ্ৰীয় চৰকাৰৰ অনুগত্য হৈ থাকিব লগা হৈছে। গতিকে ৰাজ্য বিলাকক স্বাৱলম্বী কৰাৰ কাৰণে আপোনালোকে চিন্তা কৰিব নহলে সদায় কেন্দ্ৰৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লাগিব। বেঙ্গলত চি. পি. এম চৰকাৰ আৰু অসমত আই কংগ্ৰেছী চৰকাৰ। অসমত যেনেকৈ আপোনালোকে একো কৰিব পৰা নাই তেনেকৈ বেঙ্গলতো চি, পি, এম চৰকাৰে একো কৰিব নোৱাৰে যেতিয়ালৈকে ভাৰতবৰ্ষৰ ৰাজনীতি পৰিৱৰ্ত্তন নহয়। সেই কাৰণে ৰাজ বিলাকত অৰ্থনীতি টনকিয়াল কৰাৰ কাৰণে জোৰ দিব লাগিব আৰ কৰ্মমূলক আঁচনি লব লাগিব। অন্যথাই কেন্দ্ৰৰ ওপৰত নিৰ্ভৰ কৰিলে কেতিয়াবা ভাল পাই দিব আৰু কেতিয়াবা বেয়া পাই নিদিব এ অনিশ্চিত অৱস্থাত থাকিব লাগিব। আন এটা কথা হৈছে চৰকা লাভৰ কাৰণে জোৰ দিছে কিন্তু লাভাংশ কিমান পাইছে। ১৯৮১-৮ চনত ১৩ লাখ ৩ টকা পাইছিল। এতিয়ালৈ ছুশ নামিল। লাভাংশ কি ঘটিছে মই সেইটো বুজিব পৰা নাই। পৰবৰ্ত্তী কালত বিত্তমন্ত্ৰী বুজাই দিব বুলি মই অনুৰোধ কৰিলো। ৰাজ্যৰ আয়ৰ ক্ষেত্ৰ আমাৰ মূল টকা কৰৰ পৰা আহে? কৃষি আৰু কৃষি সম্পৰ্কীয় বিভাগ শতকৰা ৬৪ ভাগ। কিন্তু বেহা-বেপাৰ আৰু বাণিজ্যৰ নামত ১৯৭০- চনত ১৪ আৰু ৭৯-৮০ চনত ১৬ ভাগ। মই আগতে কৈছো উদ্দে গৰ ক্ষেত্ৰত চৰকাৰে অলপো গুৰুত্ব দিয়া নাই। গতিকে আজি অৰ্থনীি ছবি স্থবিৰ হৈ গৈছে। ব্যৱসায় বানিজ্য ১৪ শতাংশত পৰিল গৈ কনচেপ্ত প্ৰাইজ, ষ্টেণ্ড ষ্টীল ইয়াৰ অলপো লৰচৰ নাই। অসমৰ উদ্যে গিক আৰু ব্যৱসায়িক বাণিজ্যক প্ৰতিচ্ছবিখন স্থবিৰ হৈ গ'ল।

এনেকৈ স্থবিৰ হৈ থাকে আৰু ইয়াৰ ফলত যিবিলাক সমস্যাৰ উদ্ভাৱন হব সেইবিলাক সমাধান আপোনালোকে কি পদ্ধতিত কৰিব আজি আমি এই গোটেই বিষয়টো চিন্তা কৰি চাব লগা হৈছে।

আৰম্ভৰ পৰা আজিলৈকে এটা অংশৰ পৰা টকা পইচা আহে আৰু এটা অংশত নিয়োগ হয়। যিবোৰ ঠাইত নিয়োগৰ সুবিধা পাব লাগিছিল, য'ৰ পৰা উৎপাদন হব লাগিছিল সেইবোৰ অংশৰ বিশেষ কৰি উদ্যোগ, বেহা-বেপাৰ এতিয়াও একে অৱস্থাতে আছে আজি তেৰ বছৰ ধৰি। আজি কৃষিৰ অৰ্থনীতি মানে সামন্তবাদৰ অৰ্থনীতি। সামন্তবাদৰ যিটো অৱশিষ্ট জুৰুলি তাৰ মাজৰ পৰা বান্ধোন চিঙি কৃষকক আগুৱাই আনিবৰ কাৰণে চেষ্টা কৰা নাই। ১৯৭৬ চনৰ ভূমি সংস্কাৰ লেণ্ড লৰ্ড ৰিফমচলৈ নমাই নিয়া হল। ১৯৭৮ চনৰ পৰা জমিদাৰক জমি ফিৰাই দিয়া আৰম্ভ হল মূল যিটো অংশই নিয়োগৰ বোজা বহন কৰিছে কৃষক আৰু কৃষিৰ ক্ষেত্ৰত কালি শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই কৈছে ভূমি সংস্কাৰৰ গতি ৰুদ্ধ হৈ আছে। কৃষিৰ সামন্তবাদী ব্যৱস্থা বিলাক সদায় অব্যাহত থাকিলে জনসাধাৰণক অগ্ৰগতিৰ পথত আগুৱাই নিব নোৱাৰে। এই ধ্বংসমুখী ব্যৱস্থা বিলাক খামুচ মাৰি ধৰি থাকিলে দেশৰ অগ্ৰগতি সম্ভৱপৰ নহয়। কৃষকৰ কাৰণে নকৰা নহয়, কৰিছে। ১৯০৩ চনত লেলিনে লিখিছিল জাৰেৰ কথা। তেখেতৰ ভাষাতে কৈছে বিধান দিম, সচ দিম। ১৯৮৩ চনত চৰকাৰে জাৰে যি কথা কৈছিল তাকে কৈ আছে। ভূমি সংস্কাৰ কুৰি দফাৰ এক নম্বৰ দফা। কৃষকক সুযোগ সুবিধা দিয়া, মাটিহীনক মাটি দিয়া, সাৰ দিয়া এক নম্বৰ দফাৰ বিষয় বস্তু। কিন্তু বাস্তৱত কি হৈছে? শ্ৰীৰাজবংশী ডাঙৰীয়াই খবৰ লব চাবচিদি কোনে পাইছে? কেইজন দৰিদ্ৰ খেতিয়কে পাইছে? বিভাগক দোষ দিও নাপায়। তাৰ কাৰণে এৰেষ্ট কৰিব লগা হৈছে। গাৱলৈ গৈ তথ্যপাতি সংগ্ৰহ কৰক। চাবচিদিৰ নামত ব্লক বিলাকত ষড়যন্ত্ৰ চলিছে। যিটো শক্তিৰ হাতত বন্দী অৱস্থাত আছে তাক মুক্ত

কৰিব লাগে। ইতিহাসক বাদ দি জনসাধাৰণৰ সমস্যা সমাধান কৰিব পৰাটো সম্ভৱপৰ নহয়।

চাহ, মালিকৰ স্বাৰ্থ ৰক্ষা কৰাটো দৰ্শনৰ কথা। চাহ বাগানৰ স্বাৰ্থ ৰক্ষা কৰিছে। সাধাৰণ ৰাইজক অলপ দিছে। ১৯৪৭ চনৰ পৰা দেশখন চলাই চলাই কি সমস্যাৰ সৃষ্টি কৰিছে। কালি মাননীয় সদস্য শ্ৰীজেলিল চৌধুৰী চাহাবে কৈছে এই সমস্যা সম্পৰ্কত। তেখেত ১৯৫২ চনত এম, এল, এ আছিল। আজি বুজিছে সমস্যাই আগুৰি ধৰিছে। এজন বিধায়কৰ ঘৰত ৩শ যুৱকে আগুৰি ধৰে। এই সমস্যা মন্ত্ৰী কেইজনৰ নহয়। ধনতান্ত্ৰিক ব্যৱস্থাত নিবনুৱা সৃষ্টি কৰিব। কিছুমানে দুৰ্নীতিৰ কথা কয়। দুৰ্নীতি ধনতান্ত্ৰিক ব্যৱস্থাৰ স্বৰ্ণালংকাৰ শ্ৰদ্ধেয় ৰাধা কৃষ্ণণে কৈছিল ওপৰ মহলত দূৰ্নীতি দূৰ নহলে তলৰ দুৰ্নীতি দূৰ নহয়। এই বিষয়ৰ ওপৰত চকু দিব লাগিব। নহলে গালো বালো খোলা খুটিৰ তাল হব। আমি আন দেশৰ পৰা শিক্ষা নলও কিয়? আমেৰিকা, ইংলেণ্ডত নিবনুৱা বাঢ়িছে। ৰাছিয়া, চীনত নাবাঢ়ে কিয়? একে পৃথিৱী একে মানুহ। ৰাছিয়া, চীনত নিবনুৱা সৃষ্টি কৰা যন্ত্ৰটো নিৰ্মূল কৰি দিয়া হৈছে। কে, জি, বিয়ে মানুহৰে সেই মুক্তি আনি দিছে। ৰাছিয়াত তিনিশ নিবনুৱাই কোনো নেতাক আগুৰি নধৰে। কে, জি, বি লাগিব আৰু আপোনালোকৰ আই, বি লাগিব। দৰ্শনে এই সকলোবিলাক আনি দিছে। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কবিতা "ৰূপনাৰীৰ কোলে"ত কৈছে সত্য যে কঠিন, সে কখনো কৰেণা বঞ্চনা। সত্যই বঞ্চনা নকৰে। আজি লাখ লাখ অসমীয়া ল'ৰা নিবনুৱা হৈছে। সৃষ্টিৰ সত্যৰ পৰা শিক্ষা আহৰণ কৰিব লাগে। আজি কি হৈছে সেই ফালে দৃষ্টিপাত কৰক। বিত্ত মন্ত্ৰীয়ে কৈছে উৎপাদন কমিছে, কিন্তু আশা ৰাখিছে বিকাশৰ গ্ৰ'উথ চলি থাকিব। কিন্তু এই সত্যটো স্বীকাৰ কৰিব নোৱাৰিলে যে জনমূৰি আয় ৫৫৮ৰ পৰা ৫৪৬লৈ নামি আহিছে। টেম্পো চলি থাকিলে

নহব, উৰ্দ্ধমুখী কৰিবৰ কাৰণে ব্যৱস্থা লব লাগিব। কৃষিত খামোচ মাৰি ধৰি থাকিলে নহব, উদ্যোগত মনোনিবেশ কৰিব লাগিব।

মই এতিয়া দৰমহা আয়োগৰ বিষয়ে দুটামান কথা কম। দৰমহা আয়োগ গঠিত হৈছিল চৰকাৰী কৰ্ম্মচাৰী সকলৰ বেতন বৃদ্ধি কৰাৰ কাৰণে। বয় বস্তুৰ দাম বৃদ্ধিৰ লগত সমতা ৰক্ষা কৰি তেওঁলোকে জীৱন ৰক্ষা কৰিব পাৰে তাৰ কাৰণে দৰমহা আয়োগৰ প্ৰয়োজন। ওপৰত ইনএফিচিয়েন্সী থাকিলে তলত এফিচিয়েন্সী হব নোৱাৰে। দৰমহা আয়োগৰ প্ৰতিবেদন দাখিল কৰিছে। ইয়াত কেতিয়াৰ পৰা এফেক্ট দিব সেই সম্পৰ্কত আসোঁৱাহ দেখিবলৈ পালো কৰ্ম্মচাৰীৰ ক্ষেত্ৰত ১৯৮১ চনৰ জানুৱাৰীৰ পৰ এফেক্ট দিয়াৰ কথা হৈছে আৰু পেঞ্চনাৰ সকলৰ ক্ষেত্ৰত ১৯৭৯ চনৰ পৰা এফেক্ট দিয়া হৈছে।

এইটো বুজিব পৰা নাই। কিজানি চেয়াৰমেনজন পেঞ্চনাৰ হোৱা কাৰণেই এইটো কৰিছে। বিত্ত মন্ত্ৰী মহোদয়ে জানিব। সাধাৰণতে এটা তাৰিখৰ পৰা কমিচনৰ প্ৰতিবেদন কাৰ্য্যকৰী হয় কিন্তু ইয়াত দেখিলো কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত ১৯৮১ চনৰ ১ জানুৱাৰী তাৰিখ আৰু পেঞ্চনাৰ সকলৰ ক্ষেত্ৰত ইয়াৰ এফেক্ট দিয়া হৈছে ১৯৭৯ চনৰ পৰা। আনহাতে সৰ্ব্ব নিম্ন মজুৰীৰ বিষয়ে বহুতো তৰ্ক বিতৰ্ক চলিছে। কৰ্ম্মচাৰী সকলৰ সংগঠন বিলাকে দাবী দিছিল আৰু সেই সন্দৰ্ভত মাননীয় পে কমিচনে তেওঁলোকৰ ৰিপোৰ্টত কৈছে হয়াত লোকেলি এডজাষ্টমেণ্ট অৱ দি দায়েটৰ যি লিষ্ট কৰিছে তাক পঢ়ি শুনোৱাৰ লোভ সামাৰব নোৱাৰিলো। আটা ১ কেজি এমাহৰ কাৰণে ১.৯০ পইছা, দালি ১১৫০ গ্ৰাম ৪.৬৫ পইছা হিচাবে প্ৰতি কেজিত মুঠ ৫.৩৪ পইছা, গাখীৰ ২ লিটাৰ ২.৫৭ পইছা হিচাবে ৫.২৪ পইছা, মিঠাতেল ৫০০ গ্ৰাম এমাহৰ কাৰণে ১৩.১৯ পইছা হিচাবে ৬.১৯ পইছা। ২৫০ গ্ৰাম এমাহৰ কাৰণে ১৩.৫৩ পইছা হিচাবে ৩.৩৬ পইছা। মাছ ৯০০ গ্ৰাম ১০.১৯ পইছা হিচাবে ৯.১৭ পইছা, কণী ৬৭ পইছা হিচাবে ২.৬৮ পইছা, আলু ১ কেজি এমাহৰ কাৰণে ২.১ পইছা।

Shri Md. Idris (Minister)—Mr. Dy. Speaker, Sir, I would like to know if the Hon'ble Member is quoting the figures from the Pay Commission's Report, or from some other extreneous sources?

*Shri Hemen Das—Yes Sir, it is from the Pay Commission's Report.

৩৩০ গ্রাম ২'৪৮ পইছা হিছাবে ৭০ পইছা. কেলিফ্লাৱাব ৫০০ গ্রাম ২'৭৭ পইছা হিচাবে ১'৩১ পইছা, কল ৪টা, চেনী ৬'৮০ গ্রাম ৭'১৫ পইছা হিচাবে ৪.৯৬ পইছা, গুড় ১০০ গ্রাম, নিমখ ৫৩০, এইটো হৈছে পে কমিচনব ফর্মূলা। মুঠ খৰছ ধৰিছে এজন মানুহব ৭৫'৪ পইছা আৰু তিনিটা লৰা ছোৱালীবে এটা পৰিয়াল হব বুলি ধৰিছে গৰীব মানুহৰ আৰু বেচি হব নিদিয়ে অথচ সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ত ৫ ইউনিটৰ নাম্বাবৰ এটা পৰিয়াল ধৰা হয়। সামগ্রিকভাবে এটা পৰিয়ালৰ দৈনন্দিন খৰছ ২২৮'২৪ পইছা আৰু কাপোৰ কানি আৰু ঘৰভাড়া লৈ ৩৬৮'০৬ পইছা নিৰ্দ্ধাৰণ কৰি পে কমিটিয়ে সৰ্ব্ব নিম্ন এটা পৰিয়ালক দিছে ৩৭০ টকা। পে কমিচনৰ ৰিপোর্টত চাউলৰ খৰছ দেখুৱাইছে ২৩ টকা অথচ চাউল আটাত ২৫ টকা হয়।

এইবাৰৰ পে কমিশ্যনৰ ৰিপোর্ট মতে পইচা পাইছে আঠাইশ টকা। ১৯৭৯ চনতকৈ ১৯৮০ চনত খৰচ নিশ্চয় বাঢ়িব। চাউল, ফল-মূল, শাক-পাচলি সকলো মিলি খৰচ তিনিজনীয়া এটা পৰিয়ালৰ প্ৰতি মাহৰ খৰচ ৫৯১'৪০ পইচা। কিন্তু অসম চৰকাৰে পৰিসংখ্যা বিভাগৰ লিষ্ট মতে খৰছৰ হিচাব দেখুৱালে পে কমিশ্যনে কেনেকৈ এইটো ২৩৪'৫০ কৰিছে বুজি নাপাওঁ আৰু সেই ৰিপোর্ট কিয় গ্ৰহণ কৰা হল সেইটোও নিশ্চয় অবুজ কথা। এই বিষয়টো অনুধাৱন কৰিব লাগে। ৰিপোর্ট প্ৰকাশ কৰাৰ লগতে গ্ৰহণ কৰাও হ'ল অথচ তাৰ লগে লগে এনোমেলি কমিটি গঠন কৰি দিবলগীয়া হল। পে কমিশ্যনে এনোমেলি

*Speech not corrected

ৰিলাক চাব নোৱাৰিলে নেকি নে সেইমতে ব্যৱস্থা লব নোৱাৰিলে ? যদি নোৱাৰিলে তেনেহলে সেই ৰিপোৰ্ট কিয় গ্ৰহণ কৰা হ'ল ? এই বিলাক কথা চিন্তা কৰিব লাগে। চতুৰ্থ শ্ৰেণীৰ পিচত আহক তৃতীয় শ্ৰেণীৰ চাকৰিয়ালৰ কথালৈ। জিলা বিলাকত কাম কৰা নিম্ন বৰ্গৰ সহকাৰী সকলে আশী চনৰ ডিচেম্বৰ মাহত যিখিনি বেচিক পে পাই-ছিল বা টোটেল এমোলম্যাণ্ট যিমান খিনি পাইছিল তাৰ ঠাইত নতুন পে কমিশ্যন ৰিপোৰ্ট মতে ৪৬.৫০ টকা কম পাইছে। পে কমিশ্যনে চাকৰিয়ালৰ দৰমহা বঢ়াইছে কিন্তু কমোৱা দৃষ্টান্ত মই দাঙি ধৰিলো। তেওঁলোকৰ প্ৰতি অন্যায় কৰা হৈছে। মিনিষ্টাৰৰ লগৰ চতুৰ্থ শ্ৰেণীৰ পৰা পঞ্চায়ত পৰ্য্যায়ৰ চতুৰ্থ শ্ৰেণীলৈকে একে দৰমহা ৰাখি এটাই মাত্ৰ সমাজবাদৰ নমুনা দাঙি ধৰিছে। কিন্তু বাকী বিলাকৰ ক্ষেত্ৰত ব্যৱধান সুস্পষ্ট হৈ পৰিছে। নিম্ন বৰ্গ আৰু উচ্চ বৰ্গৰ মাজৰ ব্যৱধান আৰু অধিক প্ৰকট হৈ পৰিছে। ১৯৩১ চনত সচিবালয়ৰ নিম্ন বৰ্গৰ সহায়-কৰ দৰমহা আছিল যাঠি টকা, সঞ্চালকালয়ৰ পঞ্চাশ টকা আৰু জিলা পৰ্য্যায়ৰ চল্লিশ টকা; ১৯৪৮ চনত সচিবালয়ৰ নিম্ন বৰ্গৰ সহায়কৰ পয়সত্তৰ টকা, জিলা পৰ্য্যায়ত পঞ্চাশ টকা আৰু সঞ্চালকালয়ৰ নিম্ন বৰ্গৰ সহায়কৰ পাচশ আশী টকা, সঞ্চালকালয়ৰ পাচশ টকা আৰু জিলা পৰ্য্যায়ত চাৰিশ সত্তৰ টকা হৈছে। সেইফালৰ পৰা জিলা পৰ্য্যায়ৰ নিম্ন বৰ্গৰ সহায়ক সকলৰ হেডচ্ অব দি ডিপাৰ্টমেণ্টৰ তুলনাত ত্ৰিশ টকা ব্যৱধান আৰু সঞ্চালকালয় আৰু সচিবালয়ৰ মাজত আশী টকাৰ ব্যৱ-ধান পৰিলক্ষিত হৈছে। ১৯৩১ চনৰ দৰমহাৰ নিৰিখ মতে এই ব্যৱধান দহ পোন্ধৰ বা পচিশ টকাহে আছিল। কিন্তু এতিয়া আশী টকা আৰু ত্ৰিশ টকাৰ ব্যৱধান ৰখা হৈছে। চৰকাৰে কিয়নো এই ৰিপোৰ্ট গ্ৰহণ কৰিলে কব নোৱাৰো। কৰ্মচাৰী সকলৰ পৰা নানান অভিযোগ আপত্তি আহিছে আৰু সেই বিলাক দূৰ কৰিবলৈ কি ধৰণৰ ব্যৱস্থা লৈছে বিত্তমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আচলতে পে কমি-

শ্যানৰ ৰিপোৰ্ট মতে কাকো অসন্তুষ্ট কৰা ঠিক নহয়। কিন্তু চিয়াল্লিশ টকা কমিবলৈ হলে কিয় অসন্তুষ্ট নহব। সেই কাৰণে এই বিলাক কথা ভাল ধৰণে চালিজাৰি চাই ব্যৱস্থা সেই অনুসৰি গ্ৰহণ কৰিবলৈ আবে-দন জনাই সামৰণি মাৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, আৰু এটা কথা পুনৰবাৰ কব খুজিছো যে চাহ বাগানৰ মালিক সকলৰ কাৰণে সুবিধা দিয়াৰ ব্যৱস্থা কৰা সময়ত গৰীৱ মজদুৰ সৰুসুৰা মানুহৰ কাৰণে সুবিধা দিব পৰা ব্যৱস্থা নোলো-ৱাটো দুখৰ কথা। চৰকাৰে বৃদ্ধ বয়সীয়া ভাট্টা আৰু নিবনুৱা ভাট্টা দিয়াৰ ব্যৱস্থা লৈছে তাত আমি আদৰণি জনাইছো কিন্তু অৰ্থনীতিৰ বাবে যি ৰাজনৈতিক নিদৰ্শন ইমান দিনে পাই আহিছো সেইটো সলনি নকৰিলে ক্ৰমাৎ এই পাৰ্থক্য বৃদ্ধি হৈ যাব বুলি ভাৱিবৰ সম্ভাৱনা আছে। (Mr. Deputy Speaker vacated and Mr. Speaker occupied the Chair at 12-22 p.m.)

* শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্ত-মন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিছে সেইখনৰ সমৰ্থনত কেইআষাৰমান কথা কবলৈ আগবাঢ়িছো। এই বাজেটখন যে ভাল হৈছে সেইটো দৃঢ় ভাৱে নকলেও হব এই কাৰণেই যে আমাৰ কংগ্ৰেছ চৰকাৰে যেতিয়াৰ পৰা সদনত উত্থাপন কৰাৰ কাৰণে বাজেট ৰচনা কৰিছে আৰু বিশেষকৈ আমাৰ কংগ্ৰেছ আই চৰকাৰ হোৱাৰ পৰা সমাজবাদী দৃষ্টিভঙ্গী আগত ৰাখিহে মূলতঃ দাৰিদ্ৰ্য দূৰীকৰণ দৃষ্টিভঙ্গী আগত ৰাখিহে এই বাজেট উত্থাপন কৰা হৈছে। এই বাজেটখনতো সেই একেই দৃষ্টিভঙ্গী আগত ৰখা হৈছে। মই সেই কাৰণে সময়োপযোগী হৈছে বুলি কৈছো। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে কিছুমান অনুমান কৰিছে ভাল দেখা নাই বুলি সেই ফালৰ পৰা বিশ্লেষণ কৰাৰ প্ৰয়োজন হব। বাজেটখন ভাল বুলি কোৱাৰ লগতে মই এই কথা কব বিচাৰিছো যে যিমান টকা ধৰা নহওক কিয় যদি সেই টকাৰ সদ ব্যৱহাৰ কৰা নহয়

*Speech not corrected.

বা নীতিগত ভাৱে বাজেট কাৰ্য্যকৰী কৰা নহয় তেতিয়াহলে তেনে অনুমান বা সন্দেহ অহাতো স্বাভাৱিক কথা। মাননীয় সদস্য দাস ডাঙৰীয়াই অসমৰ জনমূৰি আয় ১৯৮০-৮১ চনতকৈ ১৯৮১-৮২ চনত শতকৰা তেৰ ভাগ বৃদ্ধি হোৱা বুলি কৈছে সেই ফালৰ পৰা যদি চাওঁ তেনেহলে ৰাষ্ট্ৰীয় আয়তকৈ শতকৰা পাচ ভাগ বৃদ্ধি হোৱা পাওঁ। এইটো বৰ ডাঙৰ কথা। এইটো পৰিসংখ্যাৰ কথা। কথাটো সঁচা। আমাৰ মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াইও সাৰ আদিৰ যথেষ্ট পৰিমাণে বৃদ্ধি হব বুলি কৈছে। ৰাজ্যখনৰ উৎপাদন ১৬'৭ ভাগ বৃদ্ধি পাইছে। আমাৰ নিচিনা সৰু প্ৰদেশ এখনৰ কাৰণে এইটো সৰুসুৰা বৃদ্ধি নহয়। কৃষিৰ ক্ষেত্ৰত ১৯৮২-৮৩ চনত আৰু বেছি হব বুলি কোৱা হৈছে ইমান সমৃদ্ধি বাঢ়িছে সেইটো ভাল হব লাগে। কিছুমান কথা আমি ভাল ভাৱে বিশ্লেষণ কৰি চাবলগীয়া হৈছে। আমি যদি অলপ আগলৈ চাওঁ তেতিয়া হলে ১৯৭০ চনৰ আগৰ ভাগত আমাৰ দাৰিদ্ৰতাৰ সীমাৰেখাৰ হাৰ শতকৰা বহুত কম আছিল। গৰীব মানুহক নিম্ন স্তৰৰ পৰা উঠাই লোৱাৰ কাৰণেই আমাৰ প্ৰিয় প্ৰধানমন্ত্ৰীয়ে ১৯৭৫ চনত কুৰিদফীয়া কাৰ্যসূচী লৈছিল কিন্তু দুৰ্ভাগ্যবশতঃ জনতা চৰকাৰৰ দিনত সকলো খিনি চুৰমাৰ কৰিলে। এতিয়া নতুন কুৰিদফীয়া আঁচনিৰ দ্বাৰা এই দৃষ্টিভঙ্গীকেই আগত ৰাখি এই বাজেট ৰচনা কৰা হৈছে। ইমান টকা পইচা কেৱল দুখীয়া মানুহৰ কাৰণে উন্নয়ন হোৱাৰ কাৰণে বহুখিনি কৰা হৈছে। সম্পদ কিমান ঠাইত আছে আৰু কিমান ঠাইত নাই সেইটো চাই কাৰ্য্যকৰী ৰূপ দিবলৈ যাওঁতে সকলো কথা চিন্তা কৰিব লাগিব। এই বিলাক কথা যদি ভালকৈ অধ্যয়ন কৰা যায় উদাহৰণ স্বৰূপে কৈছো যে এজন মানুহেই বাননিয়ন্ত্ৰণ বিভাগৰ ঠিকাদাৰ, গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ, জলসিঞ্চন বিভাগৰ ঠিকাদাৰ, হেল্‌থ চাৰ্ভিচৰ ঠিকাদাৰ আৰু তেওঁৰ নামতেই বাচ আছে ট্ৰাক আছে সেই কথা বিলাক চাব লাগিব।

Mr. Speaker—Order please. The Hon'ble member will resume his speech after lunch. Now the House stands adjourned till 2.30 PM.

(The House reassembled after lunch at 2.30 p. m. with Mr. Speaker in the Chair.)

*শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ— অধ্যক্ষ মহোদয়, মই আৰম্ভ কৰিছিলো যে এজন মানুহে বিভিন্ন উন্নয়ন বিভাগৰ ঠিকাদাৰ হৈছে। কেৱল এজনেই নহয়, তেওঁৰ পুতেক ঠিকাদাৰ হৈছে, তেওঁৰ ভায়েক ঠিকাদাৰ হৈছে, তেওঁৰ ভাগিনীয়েক হৈছে। ইয়াৰ ফলত এনেকুৱা এটা কথা হৈছে যে গোটেই ধন খিনি এজন মানুহৰ হাতলৈ গৈছে। মই এটা উদাহৰণ দিছো কিন্তু এনেকুৱা বহুত উদাহৰণ আছে। সেই কাৰণে আজি মাৰি মথাউৰি সজাইছো। যোৱা বছৰত ১৩ কোটি টকা খৰচ হৈছে। গতিকে এই ১৩ কোটি টকা খৰচ কৰাৰ পিচত কিমান হেক্টৰ মাটিত জলসিঞ্চন কৰা হৈছে, তাৰ পৰা কিমান উৎপাদন বৃদ্ধি হৈছে সেইটোও চাব লাগিব। কৃষি মন্ত্ৰী মহোদয়ে কৈছে যে সাৰ প্ৰয়োগ কৰিছে। আচলতে এই সাৰ কৃষি পথাৰলৈ গ'ল নে চাহ বাগিচালৈ গ'ল সেইটোও অধ্যয়ণ কৰি চাব লাগিব। ১৯৬২ চনত মই যেতিয়া এম, এল, এ, হৈ আছিছিলো তেতিয়াই এই কথাটো আহিছিল। ষ্টেটিচটিক ডিপাৰ্টমেণ্টৰ মতে ২৮ টা ঘৰ আছে সেই ঘৰ কেইটাত উত্তৰ দিব লাগে। কিন্তু গ্ৰাম সেৱক সকলে এই ২৮ টা ঘৰ পঢ়ি চাইছে নে বা বুজি পাই উত্তৰ দিয়ে নে? মণ্ডলে এনেয়ে খেতি ভাল হোৱা বুলি লিখি দিয়ে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই গ্ৰাম সেৱকে আমাৰ অঞ্চলত খেতি ভাল হৈছে বুলি লিখি দিয়ে। এইবিলাক অনুসন্ধান কৰি চাব লাগে। গতিকে এইবিলাক অংকতে হৈছে বাস্তৱক্ষেত্ৰত হৈছে নে নাই এইবিলাক চাব লাগে।

*Speech not corrected

অধ্যক্ষ মহোদয়, আপুনি চাওঁক যে এজন মানুহে ধৰি লওক বান নিয়ন্ত্ৰণ বিভাগত ঠিকা লৈছে। তেওঁ গুৱাহাটীটো কৰিছে নলবাৰী, তেজপুৰ আৰু নগাওঁটো ঠিকা কৰিছে। কিন্তু তেওঁ আয়কৰ এটা ডিভিজনত দিছে নে চাৰিওটা ডিভিজনত দিছে সেইটো চাব লাগে। এজন ঠিকাদাৰে চাৰি বাৰ চহী কৰিব লাগে। টেণ্ডাৰত এবাৰ, এগ্ৰিমেণ্টত এবাৰ, বিলত এবাৰ আৰু চেকত এবাৰ চহী কৰিব লাগে। এই চাৰিটা চহী তেখেতৰ হয় নে নহয় সেইটো পৰীক্ষা কৰি চাব লাগে। অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগত এজন মানুহ আছে তেওঁৰ নাম বচিৰ আলী, তেওঁ গুৱাহাটী ডিভিজনত ঠিকা কৰে। কিন্তু তেওঁৰ চাৰিওটা চহী একে হয় নে নহয় মোৰ সন্দেহ। ফটোষ্টেট কৰি কৰিলে ওলাই পৰিব। এইদৰে সকলো কাম এজনেই কৰি আছে। এইটো অকল ঠিকাৰ ক্ষেত্ৰতেই যে হৈছে এনে নহয়। অপ্ৰিয় হলেও কওঁ যে কিছুমান অফিচাৰো এই ক্ষেত্ৰত সোমাই পৰিছে। গুৱাহাটীৰ ই এণ্ড ডি ডিভিজনত এজনে তেওঁৰ ভায়েকৰ নামত, পুতেকৰ নামত কাম কৰি আছে। কৰক তাত মোৰ আপত্তি নাই। কিন্তু বয়সৰ সীমাৰ এটা কথা আছে। ২১ বছৰ নহলে ঠিকাদাৰ হব নোৱাৰে।

অধ্যক্ষ মহোদয়, অসমত প্ৰায় ৭৮,৮৩৫ খন মটৰ ভেহিকুল আছে ১৯৮০ চনৰ ৩১ মাৰ্চৰ হিচাব মতে। এইবিলাকৰ ব্যৱহাৰ চাব লাগিব। আমি জনাত কমেও ৫ হাজাৰ প্ৰাইভেট কেৰিয়াৰ আছে। ইয়াৰ কণ্ডিচন কি? এইবিলাকো চাব লাগিব। আজি ফৰেষ্ট বিভাগত কিয় ইমান দুৰ্নীতি হৈছে। সেই কাৰণে মই কওঁ যে ৰুল বিলাক ইনচিষ্ট কৰিব লাগে। প্ৰাইভেট কেৰিয়াৰ বিলাকে নিজৰ বস্তুৰ বাহিৰে অইনৰ বস্তু কেৰিয়াৰ নোৱাৰে। ই এণ্ড ডি, আদি বিভাগ বিলাকে ক'ৰ গাড়ীৰে কাম চলাইছে। ফৰেষ্ট বিভাগত শতকৰা ৮০ ভাগেই দুৰ্নীতিত লিপ্ত। এজন মানুহেই বেলেগ বেলেগ মানুহৰ নামত গাড়ী ৰাখিছে। মোৰেই ৮ খন গাড়ী আছে বেলেগৰ নামত। কাৰণ আয়কৰ ভৰিব নালাগে।

যদি প্ৰাইভেট কেৰিয়াৰ্চ বিলাকে নিজৰ বাহিৰে বেলেগৰ বস্তু কঢ়িয়ায় তেনেহলে পাৰমিট কেন্সেল কৰি দিব লাগে। তেতিয়াহলে দেখিব যে সকলোবিলাক পাবলিক কেৰিয়াৰ্চ বিলাকে টেক্স নিয়ম মতে দিলে ৫ হাজাৰ ট্ৰাকে এবছৰত ডেৰ কোটি টকা হব। গতিকে এই ডেৰ কোটি টকা চৰকাৰৰ লোকচান হৈ আছে। এনেদৰে কাম কৰিলে দূৰ্নীতি কিছু কমিব। কাঠৰ কুপ লবলৈ হলে যেনেকৈ আয়কৰ, বিক্ৰী কৰ, ক্লিয়াৰেন্স চাৰ্টিফিকেট আদি দিব লাগে তেনেদৰে ই এণ্ড ডি, বা পি ডব্লিউ ডি বিভাগত ঠিকা ললেও ঠিকাদাৰ সকলে ইনকাম টেক্স, চেলচ টেক্স ক্লিয়াৰেন্স চাৰ্টিফিকেট আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আনকি প্ৰফেচনেল টেক্সৰো ক্লিয়াৰেন্স চাৰ্টিফিকেট দিব লাগে। এইধৰণে কাম কৰিলে দূৰ্নীতি বহুত পৰিমাণে কমাব পৰা যাব। অধ্যক্ষ মহোদয়, ধৰি লওঁক মোৰ সন্মুখত দুই লাখ টকা পৰি আছে। কোনেও নেদেখিলে মোৰ লোভ লাগিবই। কিন্তু কোনোবাই দেখিলে সেই টকাৰে ভাগ কৰিব লাগিব। এইটো স্বাভাৱিক। কিন্তু নিয়ম নীতি ঠিক থাকিলে দূৰ্নীতি শিপাব নোৱাৰে। সেই কাৰণে কাকো দোষ দি লাভ নাই। আমি সুৰুঙা বিলাক বন্ধ কৰিব লাগিব। আজি গোটেই ধন বিলাক একত্ৰীভূত হৈছে। আমাৰ প্ৰধান মন্ত্ৰীয়ে কৈছে যে যিবিলাক গৃহস্থীৰ এজনো চাকৰিয়াল নাই তেওঁলোকৰ অন্ততঃ এজনক নিয়োগৰ সুবিধা দিব লাগে। ঠিকাদাৰ, ট্ৰাকৰ পাৰমিট দিয়াৰ এইবোৰ নিয়োগৰ ভিতৰত ধৰিব নে নধৰে। যদি নিয়োগ বুলি ধৰা হয় তেনেহলে প্ৰত্যেক পৰিয়ালৰে পৰা এজনকৈ এই ধৰণৰ নিয়োগৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু তেওঁলোকে ঠিকা লোৱাৰ আগতে কোৰ্টত এফিডেভিটত দিব লাগে। তেতিয়াহে আমাৰ বাজেটখন সুন্দৰ প্ৰতিফলন হব। এইখিনিতে আমি এটা কথা চাব লাগিব যে আমি বাজেটত যিবোৰ টকা ধৰিছো সেই টকাবোৰ প্ৰকৃততে দুখীয়া জনসাধাৰণৰ উপকাৰৰ কাৰণে খৰচ কৰা হৈছে নে নাই? এইখিনিতে মই ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ

কথা কওঁ। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু বানপানীয়ে প্ৰত্যেক বছৰে আমাৰ জনসাধাৰণক ব্যতিব্যস্ত ক'ৰ আহিছে। কিন্তু কি কাৰণত এইটো হবলৈ পাইছে তাক আমি আজিও ভালকৈ অধ্যয়ন কৰি চোৱা নাই। এই বিষয়বোৰ সামৰি অলপতে কেন্দ্ৰীয় বাননিয়ন্ত্ৰণ মন্ত্ৰীৰ হাতত এখন স্মাৰক পত্ৰও দিয়া হৈছে আৰু এইটো এটা ভাল কাম হৈছে বুলি আমি সমলোৱে মানি লৈছো। কিন্তু এই বিষয়টো যিমান দিন আগতে আমাৰ চৰকাৰে কৰিব লাগিছিল সেইটো হোৱা নাই। ব্ৰহ্মপুত্ৰৰ বান-পানী আৰু গৰাখহনীয়া কিয় হয় সেই আটাইবোৰ জানিবলৈ হলে আমি ব্ৰহ্মপুত্ৰৰ বুৰঞ্জী অধ্যয়ন কৰিব লাগিব। আমি যদি ব্ৰহ্মপুত্ৰৰ গতি আৰু ইয়াৰ গৰাখহনীয়ালৈ লক্ষ্য কৰো তেনেহলে দেখিব পাওঁ যে ইয়াৰ উত্তৰ পাৰৰ তুলনাত দক্ষিণ পাৰত খহনীয়া বেচি। অৱশ্যে উত্তৰ পাৰেও যে গৰাখহনীয়া নহয় তেনে নহয় কিন্তু তুলনামূলক ভাবে কম। ইয়াৰ কাৰণ হয় ১৯৫০ চনত অসমত হোৱা ভূমিকম্প আৰু তাৰ পিচৰ পৰা হোৱা ইয়াৰ ভূমিভাগৰ পৰিবৰ্ত্তন। অসমৰ উত্তৰ প্ৰান্তত অৱস্থিত হিমালয় পাহাৰৰ যি বুৰঞ্জী তাকো আমি মন কৰিব লাগিব। কিয়নো পৃথিবীৰ ভিতৰতে হিমালয় এখন উচ্চতৰ পৰ্ব্বতৰ শ্ৰেণীত পৰা এখন পৰ্ব্বত আৰু পৰ্ব্বত আৰু ইয়াৰ উৎপত্তি হৈছে সাগৰৰ তলৰ পৰা আৰু ই উৎপত্তি স্থলৰ পৰাই উত্তৰা দক্ষিণাকৈ দুটা ভাগত বিভক্ত হোৱাৰ কাৰণে কাল ক্ৰমত চেপা খাই ক্ৰমান্বয়ে ওপৰলৈ উঠি আছে আৰু ভৌগোলিক অৱস্থিতিৰ কাৰণে ই দক্ষিণ ফাললৈ হেলনীয়া হৈ আছে। সেইবোৰ কাৰণ যদি আমি ভাললৈ অধ্যয়ন কৰি চাও তেনেহলে আমি বুজি পাম যে তাৰ কাৰণেই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ তুলনাত গৰাখহনীয়া বেচি। অৱশ্যে উত্তৰ পাৰ'তো যেনে মুকালমুৱা, শোৱালকুচি, উত্তৰ গুৱাহাটী'তো ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া নোহোৱা নহয়। এই ঠাই কেইখনত খহনীয়া হোৱাৰ কাৰণ কেইটাও মই আপোনালোকৰ ওচৰত দাঙি ধৰিব বিচাৰিছো। উত্তৰ গুৱাহাটীত খহনীয়া হোৱাৰ একমাত্ৰ কাৰণ

হ'ল ব্ৰহ্মপুত্ৰৰ মাজতে উমানন্দৰ অৱস্থিতিৰ কাৰণে তাত নদীৰ পানীয়ে খুন্দিয়াই উত্তৰ ফাললৈ গতি কৰে। দক্ষিণ ফালে পাহাৰ থকা কাৰণে সেইফালে পানী যাব নোৱাৰি উত্তৰ ফালে প্ৰচন্দ গতিৰে পানীৰ ঢৌৱে গৈ গৰাখহনীয়াৰ সৃষ্টি কৰে। সেইদৰে শোৱালকুছি আৰু মুকালমুৱাতো ব্ৰহ্মপুত্ৰৰ মাজত বিৰাট বালি চৰ থকাৰ কাৰণে উত্তৰ ফাললৈ পানীৰ সোঁত বেছিকৈ যায় আৰু তাৰ ফলতেই উত্তৰ পাৰত গৰাখহনীয়া বেচি হয়।

উপাধ্যক্ষ মহোদয়, আজি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহত মথাউৰি আদি দি বান নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে ব্ৰহ্মপুত্ৰত ১৯৫৪ চনৰ পিচৰ পৰাহে মথাউৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এনেদৰে মথাউৰি দি প্ৰকৃততে আমি বাননিয়ন্ত্ৰণ কৰিব পাৰিছো নে নাই সেইটো ভালকৈ চাব লাগে। ইয়াৰ আগতেই আমি এটা কথা ভালদৰে উপলব্ধি কৰিছিলো যে মথাউৰি দিয়াৰ ফলত 'ৰিভাৰ বেড' ওপৰলৈ উঠি আহে কিয়নো ইয়াৰ বালিবোৰ বাহিৰলৈ ওলাই যাব নোৱাৰাৰ কাৰণে সেই-বোৰ তাতেই জমা হৈ থাকে আৰু ফলত নদীৰ তলিখন ওপৰলৈ উঠি অহাৰ কাৰণে বানপানী বেচি হয়। সেইকাৰণে আমি ১৯৭৪ চনতেই এই তলি ভাগ খান্দি দিবলৈ দুখন ড্ৰেজাৰ অনাইছিলো। কিন্তু জনতা চৰকাৰৰ দিনত সেইবোৰ ভেকো ভাওনাহে বুলি ওভোটাই পঠিওৱা হল।

গতিকে এই আটাইবোৰ কথা আমি প্ৰশাসনীয় দিশৰ পৰা ভালকৈ চাব লাগে যাতে কি ধৰণে কাম হাতত ললে আমি যিবোৰ আঁচনি হাতত লৈছো সেইবোৰৰ পৰা সুফল পাব পাৰো। এইখিনিতে মই আৰু এটা কথা কব খোজো যে আমাৰ 'এচেট্চ এণ্ড লাইএবিলিটিজ' বাধ্যতামূলক কৰি তোলাতো। আজি আমি যদি গুৱাহাটীৰ নিচিনা চহৰতে চাও তেনেহলে আমি দেখিবলৈ পাম যে চৰকাৰে কিমান ধন হেৰুৱাব লগা হৈছে। ইয়াৰ কাৰণে যিবিলাক কৰ্মচাৰীক দায়িত্ব দিয়া হয় তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যও ভালকৈ নিৰিক্ষন কৰি যাতে

কোনেও কতো ফাঁকি দিব নোৱাৰে সেই ব্যৱস্থা কতকটীয়া কৰিব লাগে।

এই কথাবিলাক নজনাৰ ফলত কিমান টকা ক্ষতি হৈছে আমি যি সকলে দেখিছো সেই সকলেহে কব পাৰিম। গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত কওঁ যে আমি বিশেষকৈ দক্ষিণ কামৰূপৰ মানুহ বিলাক 'ভাইটেলি এফেক্টেড' হৈছো। দক্ষিণ কামৰূপ আৰু নাই। মই যেতিয়া উপসভাপতি আছিলো তেতিয়া ৯।৯।৮১ তাৰিখে ভাৰতৰ প্ৰধান মন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ দিছিলো। তাত এই সকলো বিলাক ভালদৰে আঁকি দিছিলো। তেতিয়াৰ পৰাই আমি এই বিলাক কথা কৈ আছো। বিভাগীয় মন্ত্ৰী মহোদয়ে এই সকলো বিলাক কথা তেখেতৰ বিভাগৰ ফাইলত পাব। ১৯৮১-৮২ চনত তাত 'পাইল স্কীম' বুলি এটা আঁচনি ললে। তাত ৪।৫ ডাল পাইল গছেৰে পাইল দিছে। পাইল বস্তুত চুৰি হৈ আহিছে। বনবিভাগে ধৰিলেও। চি, চি, এফক মই কৈছিলো যে চৰকাৰে দুৰ্নীতি কৰিছে, ৰাইজে কৰা নাই। তেতিয়া তেখেতে সুধিছিল যে, কেনেকৈ এইটো হব পাৰে। তেতিয়া মই কৈছিলো যে, এইটো ফৰেষ্ট বিভাগৰ ফালৰ পৰা 'ইন্‌চিষ্ট' কৰিব লাগে। গড়কাপ্তানী বিভাগে ই, এণ্ড, ডি বিভাগক জনাই দিব লাগে যে, যেতিয়ালৈকে 'ফৰেষ্ট বিভাগৰ পৰা নেপাব তেতিয়ালৈকে এইবোৰ গ্ৰহণ কৰিব নেলাগে আৰু বিল পাছ কৰিব নেলাগে। বিল পাছ কৰিলে তাত দুৰ্নীতি তাত থাকিবই। বাতৰি কাকতত এইবোৰ প্ৰকাশ পাইছে। আমাৰ যি বিলাক নীতি নিয়ম, আইন কানুন আছে সেই বিলাক দৃঢ়তাৰে প্ৰয়োগ কৰিলে দুৰ্নীতি কেতিয়াও থাকিব নোৱাৰে। কিন্তু তাকে নকৰাৰ ফলত আমাৰ বন সম্পদ এফালৰ পৰা শেষ হৈ গৈছে। ৪।৫ টা পাইল স্কীম কৰিলে। তাত 'ইন্‌ভেষ্টিগেশ্বন প্লেনিং এণ্ড ডিজাইন' অফিচাৰ আছে। সেইজনে একো নেজানে। পাইলৰ কাৰণে টেণ্ডাৰ কল কৰিলে ১০"-১২" ডিয়ামিটাৰৰ। কিমান গছ কাটিলে তাৰ অন্ত নাই। কিন্তু তিনি ফুটৰ দিয়া নাই। সৰু সৰু গছ পুলি বিলাক কাটি আনি তাত লগালে।

কিন্তু বিল দিলে ৩ ফুটৰ। দুই কোটি টকাৰ 'পাইল স্কীম' হল। বাতৰি কাকতত এইবিলাক প্ৰচাৰ হৈছিল। এইটো মাননীয় মন্ত্ৰী মহোদয়ে খবৰ কৰিলে গম পাব। দুবাৰ কেনেকৈ পাইল দিব পাৰে? এইবোৰ কৰি লাখ লাখ টকা খৰছ কৰিছে। যিখিনি টকা দিয়া হৈছে সেইখিনি টকা থিকমতে খৰছ হৈছে নে নাই সেইটো বিভাগীয় মন্ত্ৰী মহোদয় সকলে চাব লাগে। যদি এইখিনি কৰিব পাৰে তেতিয়া হলে, বিৰোধী দলৰ নেতা সকলেও আমি কাম কৰা নাই বুলি কব নোৱাৰিব। এইবোৰ কাম কৰোতে দৃঢ়তাৰে কৰিব লাগে যাতে এক পইচাও খৰছ হব নোৱাৰে। কেনেকৈ সুৰুঙা বিলাক আছে মই কব খুজিছো। নিৰ্বাচনৰ কামত মই যাওঁতে মোক মাৰিবৰ কাৰণে মঠাউৰিত গাত খান্দি থৈছিল। এজন গাৱঁলীয়া মানুহে মোক খবৰ দিয়াতহে মোৰ প্ৰাণ কোনোমতে ৰক্ষা পৰিল। নহলে মই সবংশে নিধন হলোহেতেন। পুলিছে সেই গাত মাৰিলে। তাত যিজন চেকশ্যানেল অফিচাৰ আছিল তেওঁ আমাক এই খবৰ দিয়াৰ কথা আছিল কিন্তু তাকে নিদিয়াৰ অৰ্থ কি হব পাৰে সেইটো আপোনালোকে বিচাৰ কৰক। এইবোৰ কথা মই লিখিত ভাৱে দিছো। গুমিকাটিং বুলি এখন দলং আছে। মই যেতিয়া ৰিলিফৰ কামত গৈছিলো তেতিয়া দেখা গল যে, দলংখনত যথেষ্ট পৰিমাণে মাটি দিয়া আছে। তাৰ পিছত দ্বিতীয় বাৰ যাওঁতে দলংখনৰ কথা সোধাত দলংখন আৰু ৰাষ্টা থিকেই থকা বুলি কলে। কিন্তু একেদিনাই দলংখন ভাঙি থৈ দিছে যাতে তালৈ যাব নোৱাৰো। মোৰ অলপ সন্দেহ হল। তাৰ পিছত দলংখন ভাল হোৱাৰ পিছত তালৈ গলো। তেতিয়া মোক দোষাৰোপ কৰিছে তাৰ মানুহে যে, আপোনালোকে 'মাইনৰিটি'ৰ উন্নতিৰ কথা কয় কিন্তু ক'তো দেখোন খবৰ কৰিবলৈকে নাহে। ইত্যাদি। দলংখন ৰিপেয়াৰ কৰিলে ভাল হব লাগে। কিন্তু ৰিলিফৰ কামত গৈ যেতিয়া ঘূৰি আহিলো তেতিয়া দেখা গ'ল এটা ঢেকি তাত দিয়া আছে। অলপ অনুসন্ধান কৰি গম পালো যে, এই বিলাকত অলপ গোলমলীয়া

কথা আছে। এই বিলাক অনুসন্ধান কৰিব লাগে। আৰু অনুসন্ধান কৰিব লাগে এই যে গুমিকাটিং দলংখনৰ মেৰামতিৰ সন্দৰ্ভত ৩১ মাৰ্চৰ আগতে বিল পেমেন্ট হল নে নাই সেইটো অনুসন্ধান হব লাগে। প্ৰত্যেক বিভাগৰে এটা নিয়ম আছে যে, এজন এচ, ডি, অই ৫ হেজাৰ টকা খৰছ কৰিব পাৰে। এজন কাৰ্য্যবাহী অভিযন্তাই কৰিব পা'ব ৫০ হেজাৰ টকা। বৰ সন্দেহৰ কথা তাত দুজন থিকাদাৰক কাম দিয়া হল ভগাই। এটা কৰিলে চুপাৰিন্‌টেণ্ডিং ইঞ্জিনিয়াৰলৈ যাব লাগে। এই বিলাক কথা এই ৰিপৰ্টত আছে নে নাই সেইটো চাব লাগে। লগতে এইটোও অনুসন্ধান কৰি চাবলগীয়া যে, এই থিকাদাৰ দুজনৰ 'চেলচ্‌ টেক্স, ইন্‌কাম্‌ টেক্স' পৰিষ্কাৰ আছে নে নাই সেইটো চাব লাগে। পুৰণি কাঠ বিলাক অকৃশ্বন কৰি বিক্ৰী কৰি দিয়া হল নে নাই সেইটো চাব লাগে। মই চেপ্তেম্বৰ মাহত শ্ৰীকেদাৰ পাণ্ডেক এইটো জনাইছিলো। আজি খৱৰ পাইছো- মই যি বিলাক লিখি পঠাইছিলো সেই বিলাকৰ সংক্ৰান্তত গবৈমাৰিত ধৰা পৰিছে। সকলো অকাঠি। এই সকলো বিলাক চকুৰ আগতে হৈ আছে। ৰিপৰ্টত এই বিলাক থিতমতে দিয়া হল নে নাই এই বিলাক চাব লাগে।

উপাধ্যক্ষ মহোদয়, আৰু এটা নিয়ম আছে সেইটো কৰিছে নে নাই? তেওঁলোকৰ যি বিলাক কোৱাৰী আছে সেই বিলাক চাইছে নে নাই? নতুবা তাত ইমান টকা খৰচ কৰি একো লাভ নাই। চেকচনেল অফিচাৰ জনে শেষত গৈ গৰীব ল'ৰা জনকে ট্ৰেন্সফাৰ কৰিলে।

(ভইচ: নামটো কওঁক)

মই নাম নকওঁ। অৱশ্যে মিৰ্জা চাব ডিভিজনত। ল'ৰাজন মোৰ ওচৰলৈ গৈছিল আৰু কৈছিল যে, মই মথাউৰিৰ গাত মাৰিছিলো অথচ মোকেই শেষত বদলি কৰিলে। এইবাৰ আমাৰ মন্ত্ৰী মহোদয়ে মোৰ সেই গৰাখহনীয়া অঞ্চলটো চাবৰ বাবে বাছ লৈ গৈছিল। কিন্তু সেই চেকচনেল অফিচাৰৰ ইমান ক্ষমতা যে, মন্ত্ৰী যোৱা স্বত্বেও সেই

অফিচাৰ দেখা কৰিবলৈ নাহিল, এইদৰেই আন্দোলনকাৰীক কাম কৰি থাকিবলৈ সুবিধা দিয়া হৈছে। ৩০ আগষ্ট তাৰিখলৈ যেতিয়া বন্ধ হল আমাৰ তাৰ দোকানী বিলাকক এৰেষ্ট কৰি আনিলে আৰু এতিয়াহে পি, আৰ বন্দত দিছে। আজি দেখা গৈছে যে, এচ, দি, অ বিলাকে ৫ হাজাৰ টকাহে খৰচ কৰিব পাৰে। কিন্তু ৫ হাজাৰ ৫ হাজাৰ কৰি দুই লাখ টকাও খৰছ কৰিব পাৰে। এইদৰে পি, ডব্লিউ, দি, ই, এন্দ, দি আদি সকলো বিভাগতে একেই কথা। কেইখনমান বিলত দেখিবলৈ পাইছো ৪ হাজাৰ ৯ শ ৯১ টকা মাত্ৰ ৯ টকা কম। এইদৰে ৫ হাজাৰ টকাৰ পৰা গৈ ২ লাখো হব পাৰে। সেইটো কেনেকৈ বন্ধ কৰিব পাৰে তাৰ বাবে দৃষ্টি দিব লাগে। আৰু চাবডিভিজন বিলাকত কিমান বাৰ বিজ্ঞাপন দিয়া হৈছে সেইটোও চাব লাগে। এইবাৰ গৰাখনীয়াত পাৰকপাইন নদীত পেলাই দিয়া হৈছে। এই বিলাক কৰিবলৈ ভলুকা বাহ লাগে। মই যোৱা ২৭ জুলাই তাৰিখে গৈছিলো তাত ৪ হাজাৰ পাৰকপাইন পেলাবলৈ হলে ১৫ হাজাৰ বাহ লাগিব। আৰু এই ৪ হাজাৰ পাৰকপাইন পেলাবলৈ হলে সময় লাগিব, পথাৰ লাগিব। এই কথা মই চৌধুৰীক কলো আৰু এইটো বন্ধ কৰিবলৈ কোৱা হল। আমাৰ ইনভেষ্ট প্লেন ডিজাইন বনাবলৈ ঠাই নাই। এই অফিচাৰ সকলৰ কোনো একচন লোৱা হোৱা নাই। আমি অংক কৰি দেখিছো মাটি কিমান লাগে, বাহ কিমান লাগে, এচ, ডি, অক সোধাত কৈছে পাৰকপাইন ৬ হাজাৰ বনোৱা হল। আজি কোটি কোটি টকা খৰচ কৰা হৈছে। এইবিলাক টকা এনেদৰে খৰচ কৰিলে মানুহেও বেয়া পায়। আনহাতে যিবিলাক মানুহৰ মাটি অধিগ্ৰহণ কৰিলে বা গৰাখহনীয়াই লৈ গল সেই বিলাকৰ অৱস্থা অতি শোচনীয়। তেওঁলোকৰ মাটি নাই, ৰিলিফ আদিও পোৱা নাই। মই গগৈ দেৱলৈ এখন টেলিগ্ৰাম কৰিছিলো অৱশ্যে তেখেতে ৰেচপন্দ কৰিলে। আমাৰ মাইনৰিটি থকা গাওঁ বিলাকতো এনে মানুহ বহুত

আছে তেওঁলোকে ভাবিছে আমাৰ এম, এল, এ সকলে আমাৰ কথা বিধান সভাত নকয় নেকি ? মই এই কেইটা কথা বাধ্য হৈ কলো। আজি এন, আৰ, পিৰ কাৰ্য্যসূচীত ৬ লাখ কৰি টকা দিছে। কিন্তু কাম হোৱা নাই। মই মন্ত্ৰী মহোদয়লৈ চিঠি দিছো। মোৰ তাত দুটা মৌজাত মাইনৰিটি মানুহ আছে। আমি দি, চিক কৈছো যে, এচ, দি, অ আৰু চেকচনেল অফিচাৰে স্পটত পে-মেণ্ট কৰিব লাগে।

কাৰণ সেই দিনা পেমেণ্ট কৰিব লাগিব। মই সেই দিনা খবৰ দি গলো এচ ডি অ মোৰ লগত গল কিন্তু চেকচনেল অফিচাৰ নোযোৱা হল। মই কলো টকা কি হল ? তেতিয়া মোক কলে যে চাৰ, আজি পেমেণ্ট নহয়। মই টকা লৈ ৰাইজৰ ওচৰলৈ যাব নোৱাৰাৰ কাৰণে ৰাইজে মোক গালি পাৰিলে। সেইদিনা চেকচনেল অফিচাৰজন কিয় নাহল নাজানিলো। পিচত নায়কৰ পৰা জানিব পাৰিলো যে ২০০ টকাকৈ দিব। সেই টকা ছয়গাওঁৰ পৰা আনিব লাগিব। তেওঁলোকে কৈছে যে ছয়গাওঁৰ পৰা টকা আনিবলৈ গলে আমি মাৰ খাব লাগিব। কাম কৰিছে গৰিব লোকসকলে কিন্তু সেই কামৰ বিনিময়ত তেওঁলোকে টকা পোৱা নাই। এই কথা কেনেকৈ হব পাৰে ? প্ৰধান মন্ত্ৰীয়ে কুৰি-দফীয়া আঁচনিত টকা দিছে। কিন্তু আমাৰ অফিচাৰ সকলৰ কাৰণেই এই বিলাক টকা বন্ধ হৈ আছে। মই তেওঁলোকক ঘূৰি আহি কলো যে আপোনালোকে ভুল কৰিছে। তেতিয়া তেখেত সকলে কলে যে মাষ্টাৰ ৰোল তাত কৰিব নোৱাৰি ছয়গাওঁতহে কৰিব পাৰি। তাৰো-পৰি এই গৰীব লোকসকলে যিমান টকা পাব লাগে সিমান টকা নাপালে। ৮ টকাৰ ঠাইত ৫ টকাকৈহে পালে। এই চেকচনেল অফিচাৰ জন বদলি হোৱাৰ কথা মই একো নাজানো। কিন্তু তেওঁ ষ্ট্ৰে হোৱাৰ কথাহে জানিবলৈ পালো। আমি জানো যে এম এল এ সকলে চাকৰিয়াল সকলক ৰাখিব বা খেদিব পাৰে। কিন্তু এই বিলাক ক'ৰ পৰা কি হৈছে মই একোকেই নাজানো। এই ধৰণেৰে হলে আমাৰ এন আৰ

পিৰ কাম বিলাক কেনেকৈ কৰিব ? অফিচাৰে বেয়া কাম কৰিলে চৰকাৰৰ দুৰ্নাম হব। সেই কাৰণে যি বিলাক নীতি নিয়ম আছে সেই বিলাক কঠোৰ ভাবে ৰক্ষা কৰিব লাগে। তেতিয়াহে আমি প্ৰকৃত পক্ষে ফিল্ডত কাম কৰিব পাৰিম। মই আগতেই কৈছো যে এনেকৈ হলে তেওঁ লোকেই টকা বিলাক একোমোলেচন কৰিব টকা বিলাক। মই আচৰিত হৈছো প্ৰান্তিক নামৰ কাগজ খনত এটা এডভাৰটাইজমেণ্ট দিছে। ব্লু হিল ট্ৰেভেল। মই ৰাতি চলা গাড়ীৰ পাৰমিট বুলি ভাবিছিলো। কিন্তু পিচত দেখিলো যে ডিফুলৈ যাব ৰাতিপুৱা চাৰে ৭ বজাত, তেজপুৰলৈ যাব চাৰে ৬ বজাত, ৰাতিপুৱা। এই ধৰণেৰেই যদি পাৰমিট দিয়া হয় তেন্তেহলে আমাৰ ৰাষ্ট্ৰীয়কৰণ কৰি গ'ল ৰাষ্ট্ৰীয়-কৰণ ট্ৰেন্সপৰ্ট বিলাক কি হব ? এই ধৰণেৰে পাৰমিট দিবলৈ হলে ব্যক্তিগত খণ্ডত ধন বিলাক একোমোলেট হব। আমাক দেখুৱা হৈছে যে আমাৰ ৰাজ্যৰ পাৰ কেপিটা ইনকাম বাঢ়ি গৈছে। সেই কাৰণে আজি আমি আনন্দ কৰিছো। কিন্তু যিবিলাক আজি চোৰ হৈছে সেই বিলাক কি হব ? আজিৰ ৪।৫ বছৰৰ পিচত দেখিবলৈ পাব যে আজি আমাৰ আয় বাঢ়িছে বুলি যি আনন্দ কৰিছো সেই আনন্দ নাই কাৰণ তেতিয়া দেখুৱা হব যে আজি যি আয় দেখুৱা হৈছে সেই আয় গৈ বহুত পৰিমাণৰ লোকচান হৈছে। সেই কাৰণে ময়ো ভাবো যে বিৰোধী পক্ষই কোৱাৰ দৰে এই বিলাকৰ এটা পৰিসংখ্যা হব লাগে। আমি ভাবো যে ইয়াৰ কাৰণে এটা অৰ্থনৈতিক চাৰভে নকৰে কিয় ? আমি যিমান টকা দিছো সেই বিলাক উপভোগ কোনে কৰিছে ?

মই আন এটা কথা কব বিচাৰিছো বন বিভাগৰ সম্পৰ্কত। বন বিভাগত যথেষ্ট খৰচ হৈছে। ১৯৮০-৮১ চনত ১২.২৭ কোটি আয় হৈছে। ১৯৮১-৮২ চনত ১৫.৭৫ কোটি আয় হৈছে। আগৰ তুলনাত বেচি হৈছে। কিন্তু যি বিলাক চোৰ হৈছে সেই বিলাকৰ ক্ষেত্ৰত কি হব ? আজিৰ আয় কালিলৈ আয় হৈ থাকিবনে নাথাকে ? বন বিভাগৰ

আয়ৰ কথা আমি সকলোৱেই ভাবিছো কিন্তু বন বিভাগত কাম কৰা মানুহখিনিৰ কথা ভাবিছোনে নাই? এই সকল লোক হাবিয়ে জঙ্ঘলে থাকে। তেওঁলোকৰ লৰা-ছোৱালীৰ শিক্ষা দিক্ষাৰ কথা, তেওঁলোকৰ স্বাস্থ্যৰ কথা, এই বিলাক কথা আমি কেতিয়াবা ভাবি চাইছোনে? এজন ফৰেষ্ট গাৰ্ড টাউনৰ পৰা ৭৫ মাইল দূৰত থাকে। তেওঁলোকে জঙ্ঘলত ল'ৰা ছোৱালী পঢ়াব নোৱাৰে। কি খায় কেনেকৈ থাকে, এই বিলাক কথা আমি কেতিয়াও চিন্তা নকৰো। সেই কাৰণে বন বিভাগৰ কৰ্ম্মচাৰী সকলৰ দৰ্মহাৰ কথা বিশেষ ভাবে চিন্তা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কত এটা আঁচনি লৈছিল। সিদিনা প্ৰধান মন্ত্ৰীয়েও দুখ প্ৰকাশ কৰিছে যে আমাৰ বনাঞ্চল বিলাক নাইকীয়া হৈ যাব ধৰিছে। এই সম্পৰ্কত চৰকাৰে এখন চিঠি লিখিছিল যে বন বিভাগৰ কৰ্মচাৰী সকলৰ দৰ্মহাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা কৰিব লাগে। ৬।১।৮১ তাৰিখে শ্ৰীমতী টাইমুৰসৈ এখন চিঠি লিখিছিল তাৰ পিচত তিনিখন ৰিমাইণ্ডাৰ দিয়া হল। কিন্তু তাৰ ওপৰত কোনো একশন লোৱা নহল। বন বিভাগৰ মাত্ৰ এজনহে ক্লাচ ৱান গেজেটেড অফিচাৰ আছে। বাকী বিলাক ক্লাচ টু। অসম চৰকাৰৰ ৰেঞ্জাৰৰ যি বিত্তিয় ক্ষমতা আছে তেনে ক্ষমতা আন কোনো অফিচাৰৰেই নাই। সমস্ত টকা পইচা ৰেঞ্জাৰে খৰচ কৰিব পাৰে। আন অফিচাৰে বিল কৰি চেক কৰি দিব লাগে। এই বিলাকক গেজেটেড ৰেংক দিব লাগে। সৰু সৰু অফিচাৰ কৰি ৰাখিব নালাগে। এই বিলাক কথা চাব লাগে। বন বিভাগৰ পৰা ৰয়েলটি পাইছে। কিন্তু গছ বিলাক ৰক্ষা কৰিবৰ কাৰণে কি ব্যৱস্থা কৰিছে ৱৰকিং প্লেনৰ ৰিপৰ্ট যেতিয়ালৈকে নিদিয়ে তেতিয়ালৈকে নতুন গছ হব নোৱাৰে।

অসমত বন বিভাগত ৱৰ্কিং প্লেনৰ ৰিপোৰ্ট কিমানটা প্ৰকাশ পাইছে? গছ কিমান কাটিলে সেইবিলাক ৰিপোৰ্টত থাকে। তাৰ পিচত গছ কাটিলে ৰেঞ্জাৰ বা ফৰেষ্টাৰ দায়ী হয়। এতিয়া কোনো নিয়ম কানুন

নাইকীয়া হ'ল। বোৰ্ডাৰত দেখিছো তাত গছবোৰ কাটি চেগুন গছ লগাইছে। এজোপা চেগুন গছ পূৰ্বঠ হবলৈ কমেও ৮০ বছৰ লাগে। ইমান দীঘলীয়া প্লেন কৰিলে পিচত লাভ হলেও সাময়িক ভাবে লোকচান হয়। আচলতে টিলাবিলাকত চেগুন গছ লগাইছে। চেগুন গছ থাকিলে তলত ঘাঁহ বন হব নোৱাৰে। আৰু জীৱ-জন্তু বিলাকো নোহোৱা হৈ যায়। চেগুন গছে পানী বেছিকৈ টানি লোৱাৰ ফলত আন গছ-গছনি হব নোৱাৰে। গতিকে বৰষুণো কমি যাব। গতিকে ৫০।৬০ বছৰত কাটিব পৰা গছ কৰ লাগে। তেতিয়া হলে আমাৰ লোকচান নহব। আজি কালি গছ কাটিব নোৱাৰাকৈ 'চিলভি কালচাৰ মাৰ্ক' কৰিব লাগে। নহলে এটা সময়ত গছ নোহোৱা হৈ যাব। প্লেনটেচন কৰাৰ আগতে ৰিচাৰ্চ কৰিব লাগে আৰু মাটি পৰীক্ষা কৰিব লাগে। কিন্তু মন্ত্ৰী মহোদয়ক মই আৰু এটা কথা কওঁ যে টি. পি, কৰোতে চাৰিটা কপি কৰিব লাগে। এটা কপি পাৰ্টিৰ হাতত থাকিব, এটা চেলচ টেক্স আৰু এটা ইনকাম টেক্সৰ হাতত থাকিব আৰু এটা কপি বিভাগৰ নামত থাকিব এনে কৰিলে দুৰ্নীতি কমি যাব আৰু প্ৰাইভেট কেৰিয়াৰ যিবিলাক আছে সেইবিলাক পাবলিক কেৰিয়াৰ হৈ যাব আৰু গছ চুৰিও নহব। উপাধ্যক্ষ মহোদয়. মই এটা কথা শক্তি মন্ত্ৰক কব বিচাৰিছো। মোৰ সমষ্টিত দুটা মৌজা আছে য'ত ইলেকট্ৰিচিটিৰ খুটা এটাও যোৱা নাই। মানুহে আমাক কি কব? মই গড়কাপ্তানী মন্ত্ৰী মহোদয়ক কৈছো যে মোৰ সমষ্টিৰ লামুপাৰা আৰু গবৈমাৰীৰ মাজত এটাও ৰাস্তা নাই। তাতো অলপ টকা দিয়ক। এইবাৰ মিটিং খনলৈ বহুত মানুহে আহিবলৈ আশা কৰিও ৰাস্তা নথকা বাবে আহিব নোৱাৰিলে. কাৰণ, তালৈ বাছ যাব নোৱাৰে। মানুহবিলাকে ভাবিছে চৰকাৰে বহুত টকা খৰচ কৰিছে কিন্তু আমাৰ একো লাভ হোৱা নাই।

মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে চলতলি আৰু

শালিকী এই দুখন ঠাইত আজি ৬ মাহে এজনো ডাক্তৰ নাই। ডাক্তৰ দিলেও যদি যাব নোখোজে তেনেহলে স্থানীয় ল'ৰাক তাত দিব লাগে। মই আৰু নকওঁ পিচত সময় পালে আকৌ কম। এইখিনি কৈয়ে মই বাজেটখনক সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Md. Umaruddin—Mr. Deputy Speaker, Sir, I rise to speak in support of the budget presented by the Finance Minister. Sir, during the last 2 or 3 years we, as members of the House, have not been able to keep in touch with the administration of the Finance, of the State. There were no sessions of the Assembly because of President's rule from time to time In fact the Govt. was entirely in the hands of the officers. We find that so far as revenue receipt is concerned there is a rising trend of little over Rs. 362 crores in 1981-82, Rs. 457 crores in 1982-83 and budget estimates for 1983-84 is 561 crores. This is a good sign. Similar is the case with the capital receipt. There is a similar increase by substantial amount in the capital receipt. There is a provision of Rs. 719 crores for the current year. So, far as gross consolidated fund is concerned there is a nominal deficit of 36 crores, and this should not cause any anxiety. By taking into account the public account and contingency fund there may be a deficit of Rs. 100 crores. On the whole, the financial position of the Government appears to be somewhat,

comfortable. I want that something should be done to remove the lacuna and back-long in developmental activities created during the last 2/3 years, and I hope every effort will be made to improve the situation. I mean, to improve the functioning of Government, mobilise Govt. machinery and mobilise officers so that the State which has suffered during the last 3 years can make up the backlong. It is a very important matter. Can we do it if the situation is not normal ? If the situation is clear enough for us to function normally, if the personnel of the Government on whom the administration depends, are in a position to be trusted to do their work then only we can fulfil our task. For the present we are facing a challenge from agitationists ; they have said that the M. L. A.s and Ministers would be obstructed. This is a big challenge. The M. L. A.s are representatives of the people and there is not only a standing challenge to them but to the Government also. I take a serious view of this situation. If we are to move about always with police escorts and if state of affairs continues like this then where is our liberty ? We do not have liberty, we do not have option to move freely ; in fact we not have option to move freely, in fact we are not free citizens. We are under some sort of a duress.

Sir, we do not enjoy our freedom. In the circumstances, we have to work. In other words we have to go to our constituencies to meet the people and we have to face such situation. But we cannot halt implementation of development programmes. Since we are having a Government, this Government will have_to do its very best to deliver goods to the people as far as possible so as to gain the confidence of the people.

Sir, now I come the revenue side. The revenue of the State can be divided into 3 sectors. We have got our land revenue and agricultural income tax etc. This land revenue is static and it has not increased. Then we get certain revenues from the Government of India on the basis of the awards of the Finance Commission etc. These are due to us constitutionally but we cannot forego it and we can claim it. The next is the grant-in-aid. We cannot depend on the mercy of the Central Government. Of course, so far as the grant-in-aid is concerned, it has been increased from time to time. Can this grant-in-aid be claimed as a matter of right. Since we are backward and we have not been able to advance adequate particulars because of the disturbances and the agitation development programmes have greatly suffered. Even

then we should try to get our due share of Central financial help in the shape of grant-in-aid. Our total revenue has been shown as Rs. 561 crores. Similarly, there are various other services classified under heads such as Administration, Judicial, fiscal and economic and social security services etc. Sir, I would like to mention here that the most important responsibility of the Government is to strengthen the administration to bring about a sense of security among the citizens. Government should strengthen the law keeping forces, the peace keeping forces. Recently there was a proposal to create a task force and special police force. We feel that the whole police force requires reorganisation. New elements should be brought in to our police force. The whole force should be diversified taking all communities into account. This is very important. Unless we restore law and order, unless we restore peace and security, it will not be possible for the law abiding people to work for the improvement of their economic lot and for Govt. to implement developmental programmes. Therefore, Sir, my first suggestion to Government is to restore the law and order situation on the basis of the highest priority. Administration should be strengthened and the police force should strengthened at all level so that any

adverse situation that many arise may be effectively faced. For the police budget the amount has been raised from 43 crore in 1981-82 to 54 crores in the present bugdet. This is a very big amount. We must have dependable policemen in our State. If we want to bring back confidence in the minds of the peaceful people of the State—peace loving communities a normal social order in the State, we shall have to strenthen the administration as well as the police force. The people who break the law and the officers who betray the Government should be punished ruthlessly. The keepers of law are duty bound to project the weaker sections of the people. The police force by their conduct should bring back confidence in the minds of the peace loving people. There should be proper functioning of Government department and every Minister of the Government will have to behave in such a way that it generates a sense of confidence among the people. They have to take risk. Therefore, Sir, I feel unless we create conditions, peaceful conditions and a sound law and order situation, it may not be possible to carry out the economic programmes and the funds provided will be of no use.

Sir, now I would like to make some suggestions with regard to some of the Departments. As I have

already stated that we want social welfare. Our basic Government policy is the welfare of the people. This Government is committed to two fundamental policies—one is social welfare and the other is economic welfare basing on socialist pattern of society. we do not want exploitation. We want to present a clean administration to the people. Now corruption is prevailing in almost all the Departments of the Government. The corruption should be rooted out. Instead of corruption, we want to have some social welfare programmes. People want education, they want medical help, they want good drinking water. They want many more welfare programmes. Therefore, Sir, a big amount of Rs. 315.80 crores has been allocated to the Social and Community Benefit Schemes. Out of this amount education alone claims 156 crores. The poorest section of the people should get the benefit of free primary education, benefit of medical service and the benefit of good drinking water. Therefore this is a welcome feature of the budget. A sum of Rs. 76.90 crores has been allocated to the Social Security and Welfare programme alone. The Relevant provision on this account was only Rs. 8.18 crores in 1981-82, Rs. 21.32 crores in 1982-83 but Rs. 76.90 crores in 1983-84—representing a significant increase. This includes

the old age pension. But when relief and assistance given under these schemes Government machinery should be very careful. Proper machinery should be provided to carefully scrutinise these cases. There should be a slab on annual income upto Rs. 1000/- per month or so in granting this pension. Then a sum of Rs. 22 9 crores has been allocated to the Health Deptt. I think Dr. Barman is well aware that there is a big shortage of doctor in many dispensaries and hospitals. In the District of Goalpara alone there is a shortage of about 40 doctors. In one of the Primary Health Centres in my constituency there was no doctor for 2/3 years. What is the good of having the hospital without doctors ? Is it not the duty of the department to provide proper treatment to the poor people ? There is no use keeping these hospitals if the Deptt. cannot provide doctors for giving medical help to the rural people. I suggest that this Health Department should be completely re-organised. It should be strengthened with doctors and medicines. There should be regular supply of medicines to the primary health centres and dispensaries. In regard to supply of medicines and stores it has been seriously alleged that one Narula has supplied medicines and stores of considerable value by taking advance from

the Department. I find there is a provision of Rs. 16.60 crores in the Medical budget under the head 'Medical Relief'. What I presume covers medicine and medical stores. It apears there is sufficient scope to control purchase of medical stores and medicines— even by import with due safeguards ag inst malpractice and corruption. I hope Honourable Minister, Health will go into this matter and take proper action. The Public Health Engineering Deptt. is another wing of the Health Department. This Deptt. supplies drinking water to people and also looks after sanitation as well. But our people have been suffering a lot because of non-avilability of good drinking water. Our people are very poor. They cannot do it on their own. Therefore, the Government of India have given highest priority and allocated a large sum of money on account of drinking water supply. Therefore, Sir, I suggest that the P. H. E. should be a completely separate Department. It should be an independent one and it should be so organised that all the rural people get the benefit of good drinking water and proper sanitation. I would request Shri Pamegam, Hon. Minister, P. H. E. to look into the matter personally. I would request him to make the P. H. E. an independent Deptt. immediately. The Budget provision being Rs. 36.19 crores is

higher than that of medical.

Now I come to the Education Deptt. This is a welfare Government and this is a democracy. Why should some of our people suffer with respect to education, health etc ? A big amount has been allocatted to Education Budget, i. e. Rs. 156 crores. In 1952 it was only Rs. 1 crore. The increase is very considerable. We have provincialised the services of the primary school teachers but the building have not been provincialised. Therefore .... ....

Every year the Department sanctions money as building grants. I find that in the Dhubri subdivision a sum of about 50 lakhs of rupees was sanctioned as building grants etc. I have been insisting on the Govt. that they should set up their own technical agency for construction of buildings and, repairs etc. It is not advisable to depend on the Sub Inspectors, Secretaries of the Managing Committies etc. for the utilisation of so much of money. There have been allegations of pilferage of Govt. money on this count. Why can't the Govt. set up a technical machinery for this purpose and stop this pilferage of public money ? In the P. W. D. there is a separate Building division which may also be entrusted

with such apart from construction work. At present a great percentage of schools have no walls; the boys sit in the open both through rains and storms. It is a shame. Education is one of the most important forms of services, Now I come to technical education. I am going to put forward some personal grievances—grievances of the people of Goalpara district. In the level of literacy there is a great deal of disparity from district to district. We have made representation after representation but nothing has happened. I request the Education Minister to have a clear policy because in a socialist society everybody has the right to have at least pre-primary education. Why no survey has been made to find out the causes of disparity. We did not have any census in 1981. The all-India average of literacy is 36%. In my subdivision the literacy figure will not exceed 25%. There should be a plan to remove this disparity within the next 2 to 3 years.

One of the Hon'ble Members talked about man-power development. We are having B. As., M. As. all general education—all fit for white cotton jobs. As M. L. As. what an amount of heavy pressure we have been receiving from the educated unemployed for appoint-

ment as primary school teachers. This is a dangerous phenomenon and something must be done to relieve the pressure. Therefore, I suggest that for recruitment to lower grade jobs there should be some sort of machinery—there could be a junior Public Service Commission for recruitment of teachers and other similar jobs. This whole thing requires some sort of review and the whole matter of recuitment of teachers and such posts should be put under a suitable and orderly process.

In the district of Goalpara and Darrang (undivided) there are no Engineering Colleges, no Medical College, no Polytechnic. Goalpara district with a population of 25 lakhs—the second highest in the State—does not have a single Polytechnic. The people of Goalpara district have been deprived of the benefit of technical education. I do not understand why even after so many years of independence this disparity has been allowed to continue. I expect that the present Govt. will examine the whole matter in the true perspective and try to remove the disparity.

Some Hon'ble members have been talking about industrial development. I quite agree there must be industrial development. Shri Jiba Kanta Gogoi has already said "How is it that so many industries have

died". I do not understand why the industries—even big industries like Ashok paper mills failed, and some other under the Public Sector have met such a fate.

I would now like to speak about agriculture. I myself put a lot of stress on agriculture. In a country where 90% people are dependent on agriculture only rapid development of agriculture alone can bring about economics salvation of the peasantry of Assam. When I was the Minister of Agriculture. Improvement of agriculture should be taken in right earnest. There are a large number of field officers. They should be mobilised properly. I request the Agriculture Minister to re-organise and activise the whole Department because through agricultural development we can bring in economic well-being of the rural masses.

The State Electricity Board is a power generating public sector undertaking. Power receives the highest priority. Out of Rs. 291 crores of rupees sanctioned for the current plant programme of ASEB gets Rs. 108 crores. But when I go through the account I find that they have defaulted in paying interest to the extent of Rs. 38 crores upto 1978-79 to the State Govt. on account of loans taken for power development. The financial affairs of the ASEB are so had that

they have over the years to lay by depreciation revenue, that is a statutory obligation to the extent of over Rs. 5 crores upto 1978-79: By now the arrears on both accounts will be much higher. Sir, the present Power Minister is an intelligent man, and I expect that he will try to improve the affairs of the Assam State Electricity Board as quickly as possible.

Hon. Member Shri Talukdar has already spoken about the affairs of the Assam State Transport Corporation. What is the position there, Sir ? I have not got the copy of their annual account, but I remember that about a couple of years back their accounts were audited and it was found that they had an accumulated loss of Rs. 4 or Rs. 6 crores against a total asset of Rs. 9 crores. After the routes were nationalised and monopoly transport operation was taken up how can such enormous losses occur ? It can be concluded that there is large scale leakage, large scale pilferage and so on. And nothing has been done to stop it.

I may tell you the recent developments. Now we find there are buses like 'Blue Hills' and other such buses plying on nationalised routes without any let or hindrance. A number of other persons are also

engaged in the plying of such buses on nationalised routes to the detrement of the State buses. It is not understood how some people managed to get permits for some tourist buses or all India omni bus and mini-buses and the like, and they run those buses regularly on nationalised routes. I remember at Dhubri, Sir, two buses run from Dhubri to Gauhati and back regularly. They used to leave five minutes before the State Transport bus, arrive at Gauhati earlier and again leave Gauhati five minutes before the State Transport bus arrives back at Dhubri. The D. C- stopped these buses but the persons involved in the business came to Gauhati and managed to have the D. C's order cancelled. I would like to have an enquiry made by Government into the whole affairs to find out how many such so-called tourist buses in one guise or another have been operating in the nationalised routes causing heavy financial losses to the Government. It is the duty of the Government to find out the officers or authorities who are issuing permits for private operators who are running private buses on declared nationalised routes to the detriment of the interest of the State exchequer. Before natio-nalisation, Sir, I had an occasion to examine the working of the Assam State Transport department as

Chairman of Estimates Committee. It was found there as far back in 1956 or 1958—the Deptt. had made. a profit or Rs. 28 lakhs annually. Then there was a downward trend but no less. But with the nationalisation in 1967, loss to the extent of Rs. 1 crore or so annually has been occurring. It has become incumbent on the part of the Government to hold a special enquiry as to how many permits have been issued to private operators and by when and why in contravention of the Government policy; and what effective steps can be taken to stop operation of private buses to the detriment of the State's revenue. I do not like to prolong my comments in this regard, but I hope an enquiry will be instituted by the Govt. into the whole affair.

I want to speak something about the victims of the recent riots in the State. They have been given a lot of help as relief, given some C. I. sheets for construction of houses and so on. But what is the quantum ? In 1950, three lakhs of Muslim houses were burnt and they were rendered homeless. They came back, I know, but how many years they took to put themselves on their feet again. They suffered for a long time. Some people who were once well-

to-do, died as paupers. Therefore Sir, the suffereings of these unfortunate people should receive the special attention of Government in the matter of relief and rehabilitation. The resettlement of the riot victims should be reorganised and their houses should be constructed on a permanent basis according to a plan like a rural housing scheme. The cost of construction of such permanent houses may be partly treated as loans and partly as grants, but houses should be built in clusters in an organised way. They will not be able to live safely in scattered manner as before. Therefore there may be a special programme chalked out to rehabilitate these affected victims in an organised basis in large groups to ensure security. Otherwise it will be impossible for them to build up their houses in time out of their own resources.

Then again about another form of relief to the suffering people, I suggest, that those living in camps should be allowed to do some agricultural activities. What they can do now ? They can atleast grow some vegetables. Some financial assistance and seeds etc may be supplied to them to grow vegetables and such other short duration crops, from which they can

derive some income. For regular agricultural crops like paddy, wheat and mustard some effective and organised programmes should be taken in hand without delay. With these words, Sir, I conclude my observations on the budget.

Mr. Deputy Speaker—Now Hon. Member Shri Lekhan Lahon will speak.

*শ্ৰীলেখন লাহন—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে সদনত ১৯৮৩-৮৪ চনৰ বাবে যিখন বাজেট উত্থাপন কৰিছে সেই বাজেট খন মই গ্ৰহণ কৰিছো আৰু এই বাজেটত বিভিন্ন শিতানত যিবিলাক বিষয় উত্থাপন কৰা হৈছে আৰু বিভিন্ন শিতানত যিবিলাক বিত্তীয় আলোচনা আগ বঢ়োৱা হৈছে সেই খিনি যুক্তি সংগত হৈছে। বাজেটখন বাস্তৱিক ভাৱে উদ্দেশ্যধৰ্মী হৈছে আৰু বাস্তৱমুখী হৈছে। বাস্তৱমুখী দিশটোৰ ওপৰত মই কবলৈ বিচাৰিছো যে বৰ্ত্তমান পৰিস্থিতিত বিশেষকৈ যোৱা মাৰ্চ মাহত এই সদনত অন্তৰ্বৰ্তীকালীন বাজেট গ্ৰহণ কৰিছিলো। সেই সময়ত যিটো পৰিস্থিতি আছিল সেই পৰিস্থিতিৰ সন্মুখীন হৈ চৰকাৰে যি বলিষ্ঠ পদক্ষেপ ললে আৰু তাৰ ফলস্বৰূপে বৰ্ত্তমানৰ যিখন বাজেট চৰকাৰে অসমৰ ৰাইজলৈ চৰকাৰে আগবঢ়াইছে এই বাজেট বাস্তৱতে উদ্দেশ্যধৰ্মী। উদাহৰণ স্বৰূপে যোৱা মাৰ্চ মাহত চৰকাৰে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ সময়ত আমাৰ ৰাজ্যত যি অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থা আছিল বিশেষকৈ সেই নিৰ্ব্বাচনৰ সময়ত যি সকল লোকে বিৰোধিতা কৰিছিল সেই সময়ত প্ৰায় ৩ লাখ মানুহৰ ওপৰত উৎপীড়ণ কৰাৰ ফলত গৃহহীন হয় সেই লোকসকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে যি সাহায্য আগবঢ়ালে ই সচাকৈয়ে চৰকাৰৰ এক বলিষ্ঠ পদক্ষেপ। ইমান কম সময়ৰ ভিতৰতে ৩ লক্ষ লোকক সাহায্যদান

*Speech not corrected

কৰিব পৰাটো অতি সহজ কথা নহয়। সেই সাহায্যৰ প্ৰতিফলন আমি এই বাজেটত দেখা পাইছো।

মাননীয় বিৰোধী পক্ষৰ যিসকল সদস্যই এই বাজেটখনৰ সমালোচনা কৰিছে মই আশা ৰাখিছো তেখেতসকলে আমাৰ লগত একমত হ'ব। বিগত নিৰ্বাচনৰ সময় চোৰাত যি সকল লোকৰ সামাজিক আৰু অৰ্থ-নৈতিক ভাবে নানান দুখ দুৰ্গতি হ'ল সেই সকল লোকক অতি কম সময়ৰ ভিতৰতে পুনৰসংস্থাপন দিব পৰাটো সচাঁকৈ প্ৰশংসনীয়। ইয়াৰোপৰি আজি গণতান্ত্ৰিক ভিত্তিত যিখন চৰকাৰ গঠিত হৈছে এই চৰকাৰখনৰ অন্য এটা লক্ষ্য হৈছে ক্ষমতা বিকেন্দ্ৰীকৰণ। তাকে কৰিবলৈ যাওঁতে চৰকাৰে অলপতে অসমত ৬ খন জিলা আৰু ১০ টা মহকুমা উদ্বোধন কৰি প্ৰশাসনৰ জৰিয়তে ৰাইজৰ ওচৰলৈ আগ বাঢ়ি গৈ ৰাইজক সহায় কৰিছে সেইটো আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। ক্ষমতা বিকে-ন্দ্ৰীকৰণ কৰি ৰাইজৰ ওচৰলৈ গৈছে এই মানবীয় দিশটো সঁচাকৈয়ে প্ৰশংসনীয়। মই আশা কৰিছো এই সদনৰ সকলো মাননীয় সদস্যই মোৰ লগত একমত হ'ব।

আজি এই বাজেট সম্পৰ্কত বহুতো সমালোচনা হৈছে। বিভিন্ন শিতানত বিশেষকৈ কৃষিৰ ক্ষেত্ৰতে হওঁক বা উদ্যোগৰ ক্ষেত্ৰতে হওঁক, শিক্ষাৰ ক্ষেত্ৰতে হওঁক যিখিনি কথা দাঙি ধৰা হৈছে তাৰ কিছুমান কথা আমি স্বীকাৰ কৰিব লাগিব। আমাৰ যিখন ৰাজ্য এই ৰাজ্যখন কৃষিৰ উন্নতিৰ ক্ষেত্ৰত বাস্তৱতে পিচ পৰি থকা ৰাজ্য। উত্তৰ পূৰ্ব ভাৰতৰ সীমামুৰীয়া ৰাজ্য অসমখনক আগ বঢ়াই নিবলৈ হলে আমি কেইটামান কথালৈ লক্ষ্য ৰাখিব লাগিব। তাৰ ভিতৰত প্ৰধান কথা হৈছে আমাৰ যিবিলাক সম্পদ আছে সেই বিলাক আমি অতি ভাল ভাবে ব্যৱহাৰ কৰিব লাগিব। সঠিক পৰিকল্পনা কৰি দক্ষতাৰে তাক

আগ বঢ়াই নিব লাগিব। অসমৰ উদ্যোগীক বিকাশ পদ্ধতি একেবাৰে পিচ পৰা। আমি স্থান কাল আৰু পাত্ৰ অনুসাৰে মদাৰ্ণ টেক্‌নোলোজীৰ আশ্ৰয় লব লাগিব। আমাৰ যিবিলাক ৰাজহুৱা খণ্ডত বা ব্যক্তিগত খণ্ডত উদ্যোগ প্ৰতিষ্ঠা হৈছে সেই বিলাকত সামাগ্ৰীক ভাবে অৰ্থনৈতিক দিশত আগ বাঢ়ি যাব পৰা নাই। ইয়াৰ কাৰণ হৈছে আমাৰ অৰ্থনীতিৰ সুব্যৱহাৰ হোৱা নাই। উদাহৰণ স্বৰূপে যোগীঘোপাৰ অশোক পেপাৰ মিল, শিলঘাটৰ মৰাপাতৰ কল আৰু বৰুৱা বামুণগাওঁৰ চেনীকলৰ কথাকে কব পাৰি। সেইবিলাকে বছৰৰ পিছত বছৰ ধৰি লোকচান ভৰি আহিছে কিয়? ইয়াৰ কাৰণ হৈছে অপৰিপক্ক কাৰিকৰৰ নিযুক্তিকৰণ যদিও অশোক পেপাৰ মিল প্ৰতিষ্ঠা হবৰ সময়ত তাত কাম কৰিবলগীয়া কৰ্মচাৰী বিষয়া সকলক চৰকাৰে টুকুৰীয়াই টুকুৰীয়াই বহু পৰীক্ষা কৰি, নীৰিক্ষা কৰি নিযুক্তি দি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰতিষ্ঠানত প্ৰশিক্ষণ দিয়াই অনাৰ পিছতো কিয় লোকচান ভৰিছে? আৰু অশোক পেপাৰ মিলত কিয় তলা বন্ধ অৱস্থা হৈছে? আজি চৰকাৰে যদি এই মিলটো আগ বঢ়াই নানিলেহেতেন তেনেহলে চিৰকালৰ বাবে বন্ধ হ'ল হেতেন আৰু শ্ৰমিকৰ ধৰ্মঘট হলহেতেন। এই কথা আমি স্বীকাৰ কৰিব লাগিব।

অসমত উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ কাৰণে আৰু উদ্যোগসমূহ পৰিচালনা কৰিবৰ কাৰণে মানুহ নাই। প্ৰশিক্ষণপ্ৰাপ্ত মানুহৰ অভাৱ। অসমৰ উদ্যোগ সমূহৰ উন্নতি সধাৰ কাৰণে পাব্লিক চেক্টৰ, ইণ্ডাষ্ট্ৰিয়েল এণ্টাৰপ্ৰাইজ নাই। মেনেজিং ডাইৰেক্টৰ কোন? তেওঁ কাৰিকৰী বিষয়া নে? আমাৰ উদ্যোগ সমূহত যি সকল বিষয়াই কাম কৰি আছে তেওঁলোক কাৰিকৰী দিশত অভিজ্ঞ লোক নহয়। সেই কাৰণে আমাৰ উদ্যোগ সমূহে বিকাশ সাধন কৰিব নোৱাৰাৰ মূলতে মূলধনৰ অভাৱ বুলি আমি

জানো। আমাৰ মূলধন নহলেও বাহিৰৰ মানুহে মূলধন খটুৱাই অসমত উদ্যোগ গঢ়িবলৈ আগ বাঢ়ি অহা নাই, ইয়াৰ কাৰণ কেবাটাও। ইয়াৰ কাৰণ হ'ল অসমৰ ভৌগলিক আৰু পৰিবহন ব্যৱস্থা। আনহাতে বৰ্ত্তমান অসমৰ যি ৰাজনৈতিক অৱস্থা তাৰ বাবেও বাহিৰৰ পৰা পুঁজিপতি আহি অসমত উদ্যোগ গঢ়িবলৈ আগ বাঢ়ি নাহে। সেই কাৰণে আমাৰ যি স্থানীয় মূলধন আছে তাকে লৈ স্থানীয় উদ্যোগীৰ দ্বাৰা উদ্যোগ প্ৰতিষ্ঠা কৰিব লাগিব। তেতিয়া হলেহে অসমত উদ্যোগ প্ৰতিষ্ঠা হব আৰু সি গা কৰি উঠিব। লগে লগে চৰকাৰেও সহায় কৰিব লাগিব আজি অসমত চৰকাৰী খণ্ডতে হওঁক বা ব্যক্তিগত খণ্ডতে হওঁক বা ৰাজহুৱা খণ্ডতে হওঁক যিবিলাক উদ্যোগ আছে তাৰ হিচাব চৰকাৰৰ নাই। কিন্তু আমাৰ চৰকাৰৰ পাব্লিক এণ্টাৰপ্ৰাইজেছ বুলি এটা বিভাগ আছে। এই বিভাগটোৱে সকলো দিশ চিন্তা কৰি চাব লাগে। আজি আমাৰ অসমত ১৯৮২-৮৩ চনত প্ৰায় ৩ লক্ষ ৭৫ হেজাৰ নিবনুৱা আছে আৰু ইয়াৰে শতকৰা ৪২ ভাগ শিক্ষিত নিবনুৱা।

১৯৮২-৮৩ চনত আমাৰ প্ৰায় ৩ লাখ ৭৫ হাজাৰ নিবনুৱা আছে। ইয়াৰে শতকৰা ৪২ ভাগ শিক্ষিত নিবনুৱা। এই শতকৰা ৪২ ভাগ নিবনুৱা আমাৰ কলেজ বিলাকৰ পৰা উৎপাদন কৰিছো। এই বৰ্দ্ধিত নিবনুৱা সমস্যা যদি আমি সমাধান কৰিব নোৱাৰো তেতিয়াহলে সাধাৰণ শিক্ষাৰ ক্ষেত্ৰত নিবনুৱা আৰু বাঢ়ি যাব। শেষত গৈ ই আমাৰ এটা ডাঙৰ সমস্যা হিচাবে পৰিগণিত হব। এই বাজেটত শিক্ষাৰ শিতানত আগতে যি ব্যয় ধৰা হৈছে তাৰ আগতে শিক্ষা ব্যৱস্থাৰ আমোল পৰিবৰ্তন কৰিব লাগিব। আজি ৩৬ বছৰে সমগ্ৰ ভাৰতবৰ্ষত এটা ৰাষ্ট্ৰীয় শিক্ষা নীতি উদ্ভাৱন কৰিব নোৱাৰিলে। ভাৰতৰ প্ৰত্যেকখন বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ পদ্ধতিত শিক্ষা চলিছে। এখনৰ শিক্ষা পদ্ধতি আনখনৰ পৰা সম্পূৰ্ণ বেলেগ। অসমত গ্ৰহণ কৰা শিক্ষা

পদ্ধতি অনুসৰি দুবছৰীয়া ডিগ্ৰী কৰ্চ। কিন্তু ভাৰতৰ আন ৰাজ্যত তিনি বছৰীয়া ডিগ্ৰী কৰ্চ। দুবছৰীয়া ডিগ্ৰী কৰ্চত পাচ কৰি যোৱা ল'ৰাই বাহিৰৰ বিশ্ববিদ্যালয়ত চিট নাপায়। বৰ্তমানে চলি থকা শিক্ষা পদ্ধতি নিম্ন স্তৰৰ পৰা ধৰি বিশ্ববিদ্যালয় পৰ্য্যালয়লৈকে বৈষম্য আছে। এই বৈষম্য দূৰ কৰিব লাগিব। অসমৰ বিভিন্ন স্কুলবিলাকৰ পৰ্য্যায়-বিলাক বেলেগ। কিছুমান স্কুল আছে চৰকাৰে পৰিচালনা কৰিছে আৰু আন কিছুমান স্কুল আছে সেইবিলাক কোনোবা ব্যক্তিগত প্ৰতিষ্ঠানে পৰিচালনা কৰিছে। ইয়াৰ লগতে আৰু এবিধ স্কুল আছে সেইবিলাক অন্য কিছুমান অনুষ্ঠানে পৰিচালনা কৰিছে। এই তিনি প্ৰকাৰৰ স্কুল-বিলাকৰ যিবিলাক ব্যৱস্থা ৰখা হৈছে তাত শিক্ষকৰ দৰ্মহাৰ ক্ষেত্ৰতেই হওক বা পাঠ্যক্ৰম, পাঠ্য পুথিৰ ক্ষেত্ৰত হওক কোনো সামঞ্জস্য নাই। এই শিক্ষা জগতৰ বৈষম্য আতৰাই একে শিক্ষা পদ্ধতি উদ্ভাৱন কৰিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত আমোল পৰিৱৰ্তন কৰিব পাৰিলে সমগ্ৰ অৰ্থ-নীতি আৰু উদ্যোগ বিকাশৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিম। আমাৰ স্কুল কলেজ বিলাকৰ সাধাৰণ শিক্ষাত গ্ৰেজুৱেট উৎপাদন কৰি থাকিব লগীয়া হোৱাটো দুখৰ কথা। সেই কাৰণে মই শিক্ষামন্ত্ৰীক অনুৰোধ কৰো বৰ্তমানে থকা শিক্ষা পদ্ধতিৰ আমোল পৰিৱৰ্তন কৰিব লাগে। আজি আমি চাকৰি মুখী শিক্ষা ব্যৱস্থাত গুৰুত্ব দিছে। এই চাকৰিমুখী শিক্ষা ব্যৱস্থা বাদ দি বৃত্তিমূলক, ভকেচনেল শিক্ষাত আগবাঢ়িব লাগিব। আজি আমাৰ কলা, বিজ্ঞান কলেজবিলাকত ভকেচনেল শিক্ষা দিয়া যায় অৰ্থাৎ—টাইপ ৰাইটিং, ষ্টেনোগ্ৰাফিক, কোম্পানী চেক্ৰেটেৰীচিপ, বুককিপিং আদি শিক্ষা লয় তেন্তে বি,এ পাচ কৰি বৃত্তিমূলক শিক্ষা লৈ অন্যান্য প্ৰতিষ্ঠানৰ চাকৰিবিলাক লব পাৰিব। পশ্চিমীয়া দেশ সমূহত সাধাৰণ শিক্ষাৰ ক্ষেত্ৰত সকলো ছাত্ৰক ভৰ্ত্তি নকৰে। প্ৰাইমাৰী স্কুলৰ পৰা আৰম্ভ কৰি পি, ইউ পৰ্য্যায়লৈকে যিমান বিলাক ছাত্ৰ

পঢ়িব ভাৰ দহ ভাগক সাধাৰণ শিক্ষালৈ পঠোৱা হয়। শতকৰা ৯০ ভাগ ছাত্ৰক পি, ইউ পৰ্য্যায়ৰ বৃত্তিমূলক প্ৰশিক্ষণলৈ পঠোৱা হয়। তেওঁলোকে বৃত্তিমূলক প্ৰশিক্ষণ লৈ বিভিন্ন দিশত আগবাঢ়ি যাব পাৰে। দিল্লীৰ এখন প্ৰখ্যাত অনুষ্ঠানৰ এজন শিক্ষাবিদে কৈছিল—However, the existing system of education needs a radical change to train students for life and not for getting degree only. The Western System of education has been so dynamic that 15 years old coming out of a public school is competant enough to enter the world. সেই কাৰণে মই কৈছো আমাৰ শিক্ষা পদ্ধতিৰ আমোল পৰিবৰ্তন কৰিব লাগিব।

উদ্যোগৰ ক্ষেত্ৰত কওঁ যে আমাৰ দুখন জিৰ জিলা আছে। লক্ষীমপুৰ জিলাত ৩৬ বছৰ পিছত কোনো উদ্যোগ গঢ়ি উঠা নাই। যাতায়তৰ ব্যৱস্থা নাই। আমাৰ ওচৰতে থকা পশ্চিমবঙ্গত পাঁচখন জিৰ জিলা আছিল। ইতিমধ্যে পশ্চিমবঙ্গ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত সম্ভাব্য নটা বৃহৎ উদ্যোগৰ কাৰণে ব্যৱস্থা কৰিছে। পশ্চিমবঙ্গৰ পাঁচখন জিলাত কোনো দিনে ভবা নাছিলো যে যিখিনি জিলাত কেচামাল নাই তাত উদ্যোগ গঢ়ি উঠিব। আমাৰ অসমৰ কেচা মাল থকা এই জিৰ জিলা দুখনত উদ্যোগ গঢ়ি তুলিবৰ কাৰণে কি ব্যৱস্থা লৈছে? যিবিলাক অঞ্চল পিচপৰি আছে সেইবিলাকৰ ৰাইজ বঞ্চিত হৈছে। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰো যিবিলাক অঞ্চলত উদ্যোগ নাই তাত যাতে উদ্যোগ গঢ়ি তোলাৰ ব্যৱস্থা কৰে ইয়াকে কৈ সামৰণি মাৰিলো।

শ্ৰীচিৰাজুদ্দিন আহমেদ—মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই বাজেটত অংশ গ্ৰহণ কৰি মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ শলাগ লৈছো। এই বাজেট

খনৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বহুখিনি সমস্যা সমাধান হব বুলি আমি আশা কৰিব পাৰো। বাজেটৰ বিভিন্ন শিতানত যি অনুদান বিচাৰিছে সেই সমূহ গ্ৰহণযোগ্য আৰু এই বাজেটৰ ওপৰত তুষাৰমান কৰ বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, মই এই বাজেটৰ বিষয়ত বিশেষকৈ পঞ্চায়তৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজিৰ বিধান সভাৰ আগ-বেলাত পঞ্চায়তৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিছিলো। আমাৰ সামাজিক জীৱনত ৰাইজৰ অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত পঞ্চায়তৰ এটা ডাঙৰ ভূমিকা আছে। পঞ্চায়ত অনুষ্ঠান নতুন অনুষ্ঠান নহয়। বহু পুৰণা অনুষ্ঠান আৰু এই অনুষ্ঠানৰ জৰিয়তে বিশেষকৈ গাওঁৰ ৰাইজৰ দুখ দূৰ কৰাৰ ব্যৱস্থা, যি সকলে আধুনিক সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে তেনেধৰণৰ মানুহ বিলাকৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে এই পঞ্চায়ত অনুষ্ঠানৰ সৃষ্টি হৈছিল কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এই পঞ্চায়তৰ জৰিয়তে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰাৰ দ্বাৰা অৰ্থনৈতিক সামাজিক জীৱনত পৰিবৰ্ত্তন আনিবলৈ বিচৰা হৈছিল। কিন্তু পঞ্চায়তৰ যিটো মুখ্য উদ্দেশ্য সেইটো কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আজি-লৈকে কৰিব পৰা হোৱা নাই।

উপাধ্যক্ষ মহোদয়, পঞ্চায়তৰ যিবোৰ ক্ষেত্ৰত দায়িত্ব আছিল যেনে স্বাস্থ্য শিক্ষা যাতায়ত পানী যোগান ইত্যাদি বিভিন্ন ধৰণৰ যি কামৰ দায়িত্ব হিচাবে চৰকাৰৰ তৰফৰ পৰা যে টকা দিব সেইটো ব্যৱস্থা হোৱা নাই। সেয়ে পঞ্চায়ত বিলাকে স্থানীয় কৰ কাটল আদায় কৰি তাৰ জৰিয়তে উন্নতিমূলক কাম কৰিবলৈ উৎসাহ পাব লাগে কিন্তু দুৰ্ভাগ্যৰ বিষয় যে আমাৰ যিখিনি কৰকাটল আদায় কৰা হয় সেইখিনি পঞ্চায়তৰ কৰ্মী সকলক দিয়াৰ কাৰণেই নোজোৰে। প্ৰকৃত পক্ষে উন্নয়নমুলক

কামত খৰচ কৰিবলৈ ধন নাথাকে। আমাৰ পঞ্চায়ত কৰ্মীয়ে বছৰতে বছৰৰ পিছত বছৰ ধৰি দৰমহা নোপোৱাকৈ থাকে। মই নিজেই এজন কাউন্সিলৰ আছিলো আৰু সেয়ে পঞ্চায়ত কৰ্মী সকলৰ সুখ দুখৰ কথাৰ ভূ পাব পাৰিছিলো। আমাৰ মাননীয় সদস্য জয়নাল আবেদিন চাহাবো পঞ্চায়তৰ কৰ্মী আছিল। তেখেতেও বুজিব পাৰিব। পঞ্চায়তৰ এজন কৰ্মীয়ে দৰমহা নাপায় খাবলৈ নাপায় আত্মহত্যা কৰিছিল। দেবাক বৰ্মণ নামৰ পিয়ন এজনে ১৯৮২ চনত পঞ্চায়ত অফিচতে চিপ-জৰী লগাই আত্মহত্যা কৰিছিল। অকল সেয়ে নহয় অল্পতে দৈনিক অসম কাকতত হাজোৰ পঞ্চায়ত কৰ্মীয়ে দৰমহা নাপাই খাবলৈ নোপোৱা কাৰণে শুকাই খীনাই মৰা বুলি কৌতুক কাহিনী এটাও প্ৰকাশ হৈছিল। সেই কাৰণে মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ পঞ্চায়ত কৰ্মী সকলো আন আন চৰকাৰী বিভাগৰ চৰকাৰী চাকৰিয়ালে বুলি গণ্য কৰি সেইমতে দৰমহা আৰু আন আন সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰিলেহে তেওঁলোকে জনসেৱাৰ নিচিনা পৱিত্ৰ সেৱা কৰিবলৈ উৎসাহ পাব। পঞ্চায়ত মন্ত্ৰী মহোদয়ে এই সদনতে পঞ্চায়ত কৰ্মীবিলাকে চৰকাৰী কৰ্মচাৰী নহয় বুলি বক্তৃতা ৰাখিছিল সেইটো দৰকাৰ হলে পঞ্চায়তৰ আইন আৰু বাই-ল আদি সলনি কৰি হলেও তেওঁ-বিলাকক চৰকাৰী চাকৰিয়াল বুলি গণ্য কৰিবলৈ ব্যৱস্থা কৰিবলৈ মই জনাই থলো। ইয়াৰ দ্বাৰা ক্ষমতাৰ বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰো কাম হব। কৃষিদফীয়া কাৰ্য্যসূচী বা জলসিঞ্চন কাৰ্য্যসূচী যিমান বিলাক কাৰ্য্যসূচী আছে সকলো বিলাক পঞ্চায়ত কৰ্মীৰ জৰিয়তে কাৰ্য্যকৰী কৰা হয়। তেনে ক্ষেত্ৰত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি সেই সকলৰ মনত উৎসাহ নজগালে কাম বিলাক প্ৰকৃত পক্ষে হৈ উঠাত অসুবিধাই দেখা দিয়ে। পঞ্চায়ত অনুষ্ঠানটো এটা ভেগ অনুষ্ঠান হৈ পৰিছে। পঞ্চায়ত কৰ্মীখিনিক আওহেলা কৰি ৰামৰাজ্যৰ সপোন দেখিলে সি

কেতিয়াও বাস্তৱত ৰূপায়িত হব নোৱাৰে। সেই কাৰণে মই এই কথাৰ প্ৰতি সদনৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

উপাধ্যক্ষ মহোদয়, মই বন বিভাগৰ কথা অলপ কব বিচাৰিছো। আমাৰ ধুবৰী বিলাসীপাৰা সমষ্টিবিলাকত আগতে জমিদাৰী শাসন চ'লি আছিল। সেইটো পৰ্ব্বত জোৱাৰ, পৰ্ব্বতজুৱাৰ ইষ্টেট আছিল আৰু তাৰ পৰাই মই প্ৰতিনিধিত্ব কৰিছো। আমাৰ বনজ সম্পদৰ যি অৱস্থা হৈছে তাৰৈ চাই গোৱালপাৰাৰ শালনি বিলাক চোৰাং ভাবে যিধৰণে চলান হৈ আছে তাৰৈ চালে অতিশয় কষ্ট লাগে। আমাৰ অসমৰ বন সম্পদ নিঃশেষ হব বুলি ভাবিবৰ থল আছে। চোৰাং বেপাৰী সকলৰ বিৰাট ডাঙৰ চেইন আছে। বিহাৰ পশ্চিমবঙ্গ হৈ ইউ-পি পৰ্য্যন্ত চেইন লাগি আছে। সৰুসুৰা কৰ্মী সকলৰ পৰা ওপৰৰ বেপাৰীলৈকে জৰিত হৈ আছে। ইয়াৰ পৰা চাপ্লাই দিয়ে আৰু তেনেকৈয়ে সেইচাম লোকে বহু পৰিমাণৰ ধন ঘটি থাকি অসমৰ বন সম্পদৰ সলিল সমাধি ঘটাই আছে। আনকি চাগলিয়া বক্সিৰহাটৰ পৰা চেইনৰ লোকে কাম কৰি কাঠ চাপ্লাই কৰি আছে। ফৰেষ্ট বিভাগ বা স্থানীয় ৰাইজক এই ব্যৱসায়ী বিলাকে কোনো কেৰেপ নকৰে। পুলিচকো কেয়াৰ নকৰে। কোনো ক্ষেত্ৰত পুলিচো এই ব্যৱসায়ৰ লগত জড়িত হৈ থাকি চোৰাং কাৰবাৰী ধৰাৰ নামত নিজে চোৰাং কাম কৰি আছে।

এই গেংটো বৰ শক্তিশালী গেং। তেওঁলোকে কাকো কেৰেপ নকৰে, পুলিচকো কেৰেপ নকৰে, ৰাইজকো কেৰেপ নকৰে আৰু ফৰেষ্ট বিভাগকটো কেৰেপ নকৰেই। এওঁলোকে গছ কাটি ধ্বংস কৰিছে। কিন্তু আটাইতকৈ দুৰ্ভাগ্যৰ কথা হ'ল যে এই বন বিভাগৰ লগত আৰক্ষী চকীৰ এটা যোগসূত্ৰ আছে।

( সময়ৰ সংকেট )

অধ্যক্ষ মহোদয়, এই চোৰাং কাৰবাৰত আৰক্ষী চকীৰ বিষয়া সকল জৰিত হৈ পৰিছে, তেওঁলোকে খবৰ পালেও ব্যৱস্থা নলয়। দিনে ৰাতিয়ে এই আৰক্ষী চকীৰ বিষয়া সকলে বন বিভাগৰ বিষয়াৰ লগত লগ লাগি গছ ব্লেক মেইল কৰে। স্বয়ং আৰক্ষী বিষয়া দিন দুপৰতে হাতে লুটে ধৰা পৰিছে। আমাৰ বগুৰীবাৰী আৰক্ষী চকীৰ বিষয়াক তাৰ বেঞ্চ অফিচাৰে ধৰিছে। চাপৰতো এনেধৰণৰ ঘটনা ঘটিছে। চাপৰ থানাত গছ চুৰী হোৱা বুলি যি কেইজন ল'ৰাই খবৰ দিব আহিলে তেওঁলোককে আকৌ লক আপত ভবায় হাৰাশাস্তি কৰিলে আৰু কয় তহতৰ এই বিলাকত কি দৰ্কাৰ। গতিকে আমি দেখিছো অসমত এইটো এটা সাংঘাটিক বেপাৰ হৈ পৰিছে। ইয়াৰ চৰকাৰে যদি আশু ব্যৱস্থা গ্ৰহণ নকৰে তেনেহলে আৰু ৫ বছৰ পাছত অসমত বন বুলিবলৈ কোনো বস্তু নাথাকিব। অসমৰ এই মূল্যবান সম্পদ দিনক দিনে ধ্বংস হব ধৰিছে। এই বন ৰক্ষা কৰিবলৈ হলে মেনকাইণ্ড ট্ৰি ফিলিং হব লাগিব। আৰু বন আইনৰ সংশোধন কৰিব লাগিব। মানুহ হত্যা কৰিলে যেনেকৈ ধৰা পৰিলে শাস্তি হয় ঠিক তেনেকৈ গছ বিনা অনুমতিত কটা ধৰা পৰিলেও সেই একে শাস্তিৰ ব্যৱস্থা হব লাগে। এই নীতি গ্ৰহণ কৰিব নোৱাৰিলে অসমৰ বন কেতিয়াও ৰক্ষা কৰিব নোৱাৰে। বন আইনখনত বহুত ফাক আছে। হাতে লুটে ধৰা পৰিলেও আচামী খালাচ হৈ যায়। আনহাতে আমি দেখিছো দোষী আহি কোৰ্ট নৌপাওঁতেই কোৰ্টত বেল হয়, এন্টিচিপেটৰী বেল দিয়ে। গতিকে যদি বন ৰক্ষা কৰিব লাগে তেনেহলে আইন সংশোধন কৰিব লাগিব। নহলে অসমত হাবি নাথাকিব।

এইখিনিকৈ কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীঅলিত চন্দ্ৰ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে উত্থাপন

কৰা বাজেটখন আমাৰ ভৈয়াম জনজাতি পৰিষদৰ বিধায়ক সকলৰ দলপতি মাননীয় শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই বিৰুদ্ধাচৰণ কৰি কোৱাৰ দৰে ময়ো এই বাজেটৰ বিৰোধীতা কৰিছো। তেখেতৰ সুৰতে ময়ো সুৰ মিলাই কবলৈ বিচাৰিছো যে এই বাজেট শূন্য আৰু এই বাজেটে অসমৰ জনসাধাৰণক তিব্ৰ অগ্ৰগতিত একো সহায় কৰিব নোৱাৰে। এই বাজেটখনে অসমৰ জনসাধাৰণক আৰু বিপদগ্ৰস্থ কৰি তুলিব। ইয়াৰ লগতে মই আৰু এটা কথা যোগ দি কব বিচাৰিছো যে এই বাজেটখনৰ স্পষ্ট লক্ষ্য নাই। বিত্তমন্ত্ৰী মহোদয়ে উল্লেখ কৰা মতে এই বাজেটখনত অগ্ৰাধিকাৰ লক্ষ্য দিছে আন্দোলনত জৰ্জৰিত হোৱা লোক সকলৰ সংস্থাপনত। কিন্তু এইটো যদি তেনে ধৰণে পৰ্য্যবেক্ষণ কৰা যায় তেনেহলে দেখা যায় আন্দোলনত জৰ্জৰিত হোৱা ব্যক্তি সকলৰ বিশেষ একো সংস্থাপনৰ সুবিধা কৰা হোৱা নাই। উদাহৰণ স্বৰূপে কব বিচাৰিছো আন্দোলনত জৰ্জৰিত হোৱা লোক সকলক আমি সৌ সিদিনা আমাৰ ভৈয়ামৰ জনজাতিৰ লোক সকলে পৰ্য্যবেক্ষণ কৰিবলৈ গহপুৰলৈ গৈছিলো। কিন্তু আমি তাত গৈ দেখিলো আমাৰ জনজাতিৰ লোক ২৩ হাজাৰ ক্ষতিগ্ৰস্ত হৈ কোনফালে পৰি আছে তাৰ ইয়ত্বা নাই। আমি যোৱা অধিবেশনতো এই কথাৰ দৃষ্টিগোচৰ কৰিছিলো আৰু তেতিয়া চৰকাৰে তেওঁলোকৰ সম্পূৰ্ণ সংস্থাপনৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়া জনা গল গহপুৰত মাত্ৰ ৯ হাজাৰ লোককহে সংস্থাপন দিয়া হ'ল। বাকী লোক সকল কোনফালে গ'ল তাৰ হিচাব চৰকাৰে কৰা নাই। বিত্তমন্ত্ৰী মহোদয়ে দুৰ্দ্দশাগ্ৰস্থ লোকক অগ্ৰাধিকাৰ দিয়া হব বুলি বাজেটত কৈছে কিন্তু সেইফালৰ পৰাও এইটো বাস্তৱমুখী হোৱা নাই। তাৰোপৰি এই বাজেট কোটি কোটি টকাৰ ঘাটি বাজেট। গতিকে এই বাজেটৰ জৰিয়তে আমাৰ দুৰ্দ্দশাগ্ৰস্থলোক যে কিবা উন্নতি হব তাত আমাৰ কোনো বিশ্বাস নাই। ইয়াৰ লগতে মই আৰু এটা কথা উন্নুকিয়াব খুজিছো। এই বাজেটত ভৈয়ামৰ জনজাতি লোক

সকলৰ কাৰণে আচুতিয়াকৈ ৩১ কোটি ধৰা হৈছে, শুনাত বৰ ভাল কথা। ৩১ কোটি টকা ধৰা বুলি শুনি আমাৰ ট্ৰাইবেল সকল সুখী হব। কিন্তু যদি অংক কৰি চোৱা যায় অধ্যক্ষ ডাঙৰীয়া আপুনি দেখিব জনজাতি লোকৰ কাৰেণ এই ৩১ কোটি টকা একেবাৰে নগণ্য। অসমৰ ১৯৭১ চনৰ লোক পিয়লমতে অসমৰ জনজাতিৰ লোক ১৮ লাখ।

কিন্তু এইটো তথ্য ভুল। ভুল বুলি কৈছো এই কাৰণেই যে অকল আমাৰ বড়ো সম্প্ৰদায়ৰ মানুহেই ১৮ লাখৰ বহু বেছি। এটা উদাহৰণ দিব খুজিছো চৰকাৰী হিচাব মতেই আমাৰ বড়ো মাধ্যমৰ স্কুল আছে তিনি হাজাৰ। এই তিনি হাজাৰ খন স্কুলত প্ৰাইমেৰীৰ পৰা আৰম্ভ কৰি হাইস্কুল পৰ্য্যায়লৈ গড়ে ৫০ জনকৈ সংখ্যা ধৰিলেও প্ৰায় ডেৰ লাখ হব। ইয়াৰোপৰি মই জনাত প্ৰত্যেকজন ছাত্ৰ ছাত্ৰীৰ গিৰীয়ে প্ৰতি ১০ জনকৈ মানুহ ধৰিলেও ১৫ লাখ হবগৈ। তাৰোপৰি স্কুললৈ নোযোৱা ছাত্ৰ ছাত্ৰীৰ গিৰি সংখ্যাও বহু আছে। এইটো হিচাব দুগুণ ধৰিব পাৰি। গতিকে অকল বড়ো সম্প্ৰদায়ৰ যদি ৩০ লাখ হয় আকৌ অন্যান্য জনজাতীয় ভাইসকল আছেই। ৰাভা, লালুং, মিছিমি আদি ধৰিলে লাখৰ কম নহব। এই গোটেই মিলি ৬০ লাখ—প্ৰায় এককোটি হব। এই তথ্যৰ ওপৰত ভিত্তি কৰি দেখা যায় যে ৩১ কোটি টকা একেবাৰে নগণ্য। আজি বিশেষকৈ জনজাতীয় লোকসকলৰ কাৰণে কিছুমান আঁচনি লৈছে বুলি জানিব পাৰিছো। আঁচনি আগৰে পৰা বহুতো হৈ আহিছে। ২৭৫ ধাৰা হ'ল। ট্ৰাইবেল ডেভেলাপমেণ্ট হৈছে, আই, টি, টি, পি, হৈছে। সৌ সিদিনা ট্ৰাইবেল ডেভেলাপমেণ্ট অথৰিটিও হৈছে। মই অলপ আই.টি.ডি.পিৰ কথা কবলৈ বিচাৰিছো। ইয়াৰ যোগেদি চৰকাৰে জনজাতীয় বাইজৰ কাৰণে কি কি কৰিব খুজিছে সেইটো মই গমেই পোৱা নাছিলো। এদিন হঠাৎ মোৰ ঘৰলৈ আই,টি,ডি,পিৰ বিষয়া এজন গ'ল। আৰু মোক লৈ আহি এৰিয়াবিলাকত ক'ত ৰাস্তা লাগে, স্কুল আদি হব লাগে দেখুৱাই দিবলৈ কলে। মই সেইমতে

বহুতো দেখুৱাইও দিলো আৰু অভাৱ-অভিযোগৰ কথাও কলো। সেইবিলাক অভাৱ অভিযোগ চৰকাৰে সোনকালে ব্যৱস্থা কৰি দিব বুলি মোক আশ্বাসো দিলে। কিন্তু আজি এই বিধান সভাৰ মজিয়াত মোৰ মনত পৰিছে এই গোটেই বিলাক আঁচনিয়ে সুন্দৰ ধাঁহনি পথাৰ হৈ থাকিল। মই দুখেৰে কবলৈ ওলাইছো যে আই,টি,ডি,পিৰ কাৰ্যালয় বিলাক ট্ৰাইবেল এৰিয়ালৈ স্থানান্তৰ কৰাৰ আঁচনি আছে বুলি শুনিছিলো। কিন্তু এইবিলাক আজিকোপতি মহকুমাবিলাকতে থাকিল ট্ৰাইবেল এৰিয়ালৈ নাহিল। ইয়াৰ কাৰণ কি? মই ভাবো যদি ট্ৰাইবেল এৰিয়ালৈ এই কাৰ্য্যালয় বিলাক লৈ অহা হয় তেনেহলে ট্ৰাইবেল সকলৰ উন্নতি/অধোন্নতি অংক কৰি চাবলৈ আমাৰ জনজাতীয় ৰাইজে সুবিধা পাব।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আই.টি,ডি.পিৰ কাৰ্য্যালয়ৰ কথাটো মই মাননীয় সদস্যক কব খুজিছো। ট্ৰাইবেল অঞ্চললৈ এই কাৰ্য্যালয় স্থানান্তৰ কৰাৰ কথাটো পৰীক্ষা কৰি চাইছিলো। কিন্তু এইটো সম্ভৱ হৈ নুঠিল কাৰণ ট্ৰাইবেল অঞ্চললৈ নিবলৈ হলে অফিচটো পৰিচালনা কৰোতে ওচৰত এচ, ডি. অ, ডি,চি, থানা আদিৰ প্ৰয়োজন হয়। কাৰণ কিছুমান আনুষঙ্গিক কথা এইবিলাক কাৰ্য্যালয়ৰ লগত যোগাযোগ কৰিবলগীয়া থাকে। ট্ৰাইবেল এৰিয়ালৈ নিলে সেইটো সম্ভৱ নহয়। গতিকে চাব ডিভিজনতেই আই টি ডি পিৰ কাৰ্য্যালয় ৰখা হৈছে।

শ্ৰীঅলিত চন্দ্ৰ বড়ো—অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো স্পষ্টকৈ জানিব পাৰি মই সুখী। ইয়াৰ বাহিৰেও আই টি ডি পিৰ যোগেদি যি আঁচনি গ্ৰহণ কৰা হৈছে সেই আঁচনি বিলাক ভিত্তিহীন বুলি মই কৈছো। কাৰণ এইবিলাক আঁচনি ট্ৰাইবেলৰ ওপৰত হেচি বা জাপি দিয়া আঁচনি। মই আই টি ডি পিৰ সদস্য আছিলো। তেতিয়া দেখিছিলো যে ট্ৰাইবেল সকলৰ উন্নয়নৰ আঁচনিত চৰকাৰৰ ফালৰ বা ভেল্দি, লাউ,

কুমুৰা আদিৰ গুটি দিয়া হয়। এইবিলাক আমাৰ ঘৰত দামাদামি আছে। আমাক নালাগে। কিন্তু চৰকাৰী বিষয়াক এই বিষয়ে কলে সিহঁতে কয় যে আপোনালোকে নিয়ক বা নিনিয়ক সেইটো আমি অঁাচনিৰ পৰা বাদ দিব নোৱাৰো। গতিকে বস্তুবিলাক তাতেই পৰি নস্ত হৈ যায় কুঁহিয়াৰো দিছে। কিন্তু এই কুঁহিয়াৰ বিলাক বৈজ্ঞানিক পদ্ধতিত ঔষধ দি সংৰক্ষণ কৰা। গ্ৰামসেৱক সকলে তেওঁলোকৰ কোৱাৰ্টাৰত নি জমা কৰি ৰাখে। যাৰ ইচ্ছা সিয়েই নিব পাৰে। কোনো লিষ্ট আদি নাই। কিছুমানে কুঁহিয়াৰ নি ৰুইছে, মৰি যায় আৰু কিছুমান নি খাইছে। গতিকে এইবিলাক কোনো বাস্তৱ অঁাচনি হোৱা নাই।

মই শিক্ষাৰ ক্ষেত্ৰত অলপ কব খুজিছো। শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে বড়ো মাধ্যমৰ বহু উচ্চ পৰ্য্যায়লৈ নিছে মানে বিশ্ববিদ্যালয় পাইছেগৈ। কিন্তু আজি চালি জাৰি চালে দেখা যায় যে য'ত বড়ো মাধ্যমত স্কুল হৈছে তাত প্ৰয়োগ কৰিবলৈ কিছুমান সা-সুবিধাৰ দৰকাৰ। সেইবিলাক পোৱা হোৱা নাই। যিবিলাক স্কুলত অসমীয়া আৰু বড়ো দুয়োটা মাধ্যম চলি থাকে সেই স্কুল বিলাকত দুগুন সা-সজুলিৰ দৰকাৰ। বড়ো আৰু অসমীয়া মাধ্যমৰ স্কুল বিলাকে এই সুবিধাহে পাইছে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খোজো যে বড়ো আৰু অসমীয়া মাধ্যম শিক্ষাদানৰ ক্ষেত্ৰত স্কুলবিলাকত আচবাবৰ যেনে ধৰণে যোগান ধৰিব লাগিছিল সেইদৰে যোগান ধৰিব পৰা নাই। আগৰ তুলনাত এইবোৰৰ যোগান দুগুণ হব লাগিছিল। কিন্তু সেইটো হোৱা নাই। তাৰ ফলত এনে কিছুমান ঘটনা হোৱা দেখা যায় যে যেতিয়া বড়ো ভাষাৰ ল'ৰা ছোৱালীয়ে আগতে গৈ বেঞ্চ-ডেস্ক পাৰি বহি লয় তেতিয়া পিচত যোৱা অসমীয়া মাধ্যমৰ ল'ৰা-ছোৱালীয়ে বহিবলৈ ঠাই নোপোৱা হয়। সেইদৰে অসমীয়া মাধ্যমৰ ল'ৰা-ছোৱালী আগতে গৈ বেঞ্চ-ডেস্ক পাৰি বহিলে বড়ো মাধ্যমৰ ল'ৰা-ছোৱালী

বহিবলৈ ঠাই নোহোৱা হয়। তেতিয়া যদি শিক্ষকক ল'ৰা-ছোৱালীয়ে প্ৰশ্ন কৰে তেতিয়া শিক্ষকে উত্তৰ দিয়ে যে যোৱাকালি তোমালোকে বহি-ছিলা, যেতিয়া আজি তেওঁলোকে বহক দিয়া। উপায় নাই। গতিকে এইবোৰ কথা আমাৰ চৰকাৰে ভালদৰে চাব লাগে আৰু তাৰ প্ৰতি-কাৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ - আপুনি ছুটি কৰক। সময় বৰ কম।

শ্ৰীঅলিত চন্দ্ৰ বড়ো—মোক আৰু ২ মিনিট সময় দিয়ক। অধ্যক্ষ মহোদয়, মই কৃষিৰ ক্ষেত্ৰত তুষাৰ মান কবলৈ ওলাইছো। আমাৰ কৃষি মন্ত্ৰী মহোদয়ে ইয়াৰ আগতে কৈ গৈছে যে আমাৰ খেতিয়ক সকলৰ মাজত সাৰৰ প্ৰচলন বাঢ়িছে আৰু তাৰ পৰা আমি এইটো ধৰি লব পাৰো যে এই বছৰ খেতি আগৰ কেইবছৰতকৈ ভাল হব। কিন্তু এই বিষয়ে মই কব খোজো যে সেইটো সঁচা নহয়। প্ৰকৃততে কথা হৈছে য সাৰৰ মান আগতকৈ কমিছে। আগতে যদি কিবা এটা খেতিত ১ কেজি সাৰ দিব লাগিছিল তাত এতিয়া ৩ কেজি দিব লগা হৈছে। ইয়াৰ কাৰণ কি তাকো মই আপোনালোকৰ আগত এটা কথা কওঁ যে মই এদিন সাৰ আনিবলৈ গৈছিলো—সাৰ বিক্ৰী কেন্দ্ৰলৈ। তেতিয়া তেওঁ মোক সুধিলে যে আপোনাক কিমান সাৰ লাগিব? তেতিয়া মই কলো যে মোক ৫ কেজি লাগিব। তেতিয়া গ্ৰামসেৱক মহোদয়ে কলে যে তেনেহলে আপুনি ১০ কেজি সাৰ নিব লাগিব। তেতিয়া মই আচৰিত হৈ সুধিলো—সেইটো আকৌ কিয়? তেতিয়া তেওঁ কলে যে তাতো এটা কথা আছে। মই আচল কথাটো শেষত তেখেতে কলে যে আচলতে এই সাৰবোৰ বেগ বা বস্তাত ভালকৈ বান্ধি নলগাকৈ ৰাখিব লাগে। কিন্তু আমাৰ ইয়াত তেনে ভাল ব্যৱস্থা নোহোৱাৰ কাৰণে ইয়াৰ কিছু মান কমিছে। গতিকে আপুনি আপোনাৰ হিচাবতকৈ দুগুণ ব্যৱহাৰ কৰিলেহে ভাল ফল পাব। গতিকে অধ্যক্ষ মহোদয়,

আচল কথাটো তেনে ধৰণৰহে—প্ৰকৃততে সাৰৰ প্ৰচলন আগতকৈ বৃদ্ধি হোৱা নাই—ইয়াৰ মানদণ্ড কমাৰ কাৰণেহে খেতিয়কে বেচিকৈ কিনিব লগা হৈছে।

অধ্যক্ষ মহোদয়, মোৰ অঞ্চলটো বিশেষকৈ উত্তৰ কামৰূপৰ বাস্কা অঞ্চলটো পাগলাদিয়া নদীৰ গৰাখহনীয়াত প্ৰত্যেক বছৰে ক্ষতিগ্ৰস্ত হয়। এই বছৰো সেই অঞ্চলত যথেষ্ট ক্ষতি হৈছে। তাত যোৱা বান-পানীৰ কবলত পৰি ৮ ঘৰ মানুহ জাঁহ যাব লগা হল। এই আটাইবোৰ ঘটনা আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী বৰ্মন ডাঙৰীয়াই বুজ লৈ আহিছেগৈ। গতিকে এইবোৰ ক্ষতিগ্ৰস্ত লোককৈ চৰকাৰৰ ফালৰ পৰা উপযুক্ত সাহায্য আগবঢ়াব বুলি মই আশা কৰিলো। মই আৰু বেচিকৈ নকওঁ, সময়ত সুবিধা পালে সকলোবোৰ ডাঙি ধৰিম। ইয়াকে কৈ মোৰ বক্তব্য সামৰিছো আৰু এই বাজেটখন ৰোগগ্ৰস্ত বাজেট বুলি বিৰোধিতা কৰিছো।

শ্ৰীপ্ৰসাদ দলৈ—শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, সদনত মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যি খন বাজেট ডাঙি ধৰিছে সেই বাজেটৰ সমৰ্থনত মই কবলৈ ওলাইছো। সমাজকামী ৰাজ্য হিচাবে দেশৰ জনসাধাৰণৰ উন্নতি বিকাশৰ কাৰণে, তেওঁলোকৰ মঙ্গলৰ কাৰণে আমি সকলোৱে চিন্তা কৰাটো কৰ্তব্য। আজি আমাৰ দেশৰ জনসাধাৰণে যি বিপদৰ সন্মুখীন হৈছে সইবোৰ আতৰাই তেওঁ-লোকৰ উন্নতি সাধিবৰ কাৰণে, তেওঁলোকৰ উপকাৰৰ কাৰণে, কৃষিৰ উন্নতিৰ কাৰণে আৰু অন্যান্য বিষয়ত উন্নতি সাধিবৰ কাৰণে যি আহ্বান আহিছে সেই আহ্বান আকোৱালি লৈ ৰাইজৰ মঙ্গল কৰাতো চৰকাৰৰ কৰ্তব্য। সেয়েহে আমাৰ বিত্তমন্ত্ৰীয়ে যি খন বাজেট আমাৰ আগত ডাঙি ধৰিছে সেইখন সকলোৱে মঙ্গলকামী বাজেট বুলি আখ্যা দিব পাৰি। এই ক্ষেত্ৰত মই অসমৰ এটা অতি পিচ পৰি থকা ৰাইজৰ সমস্যাৰ কথা দৃষ্টি ৰাখি মই মোৰ বক্তৃতা ডাঙি ধৰিম।

অধ্যক্ষ মহোদয়, আমাৰ অসমত ১-২ খন নহয়, ৫৬৭ খন প্ৰকৃতিয়ে দিয়া নদী আৰু বিল আছে। এই বিল বিলাকৰ ভিতৰত দেখা যায়

৩৯৪ খন প্ৰাকৃতিয়ে দিয়া বিল আৰু ১৭৩ খন নদী আছে। এই বিল আৰু নদীবোৰৰ যোগেদি আমি যি মাছ পাওঁ তাৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ পিচপৰা অনুসূচিত জাতিৰ শতকৰা ৭০-৮০ জন মানুহ বৰ্ত্তি থাকে। আমাৰ অসমত মাছ উৎপাদন হয় বছৰি ৪২ হাজাৰ টন। অসমৰ মানুহৰ জোখাৰে মাছ খাবলৈ হ'লে প্ৰয়োজন হয় ৭৬ হাজাৰ টন। গতিকে অসমৰ মানুহক সেই জোখাৰে মাছ খুৱাবলৈ হ'লে আৰু ৩৪ হাজাৰ টন অধিক মাছ উৎপাদন কৰিব লাগিব। কিন্তু আজি আমি অসমৰ বিল আৰু নদীবিলাকৰ যি দুৰাৱস্থা দেখিবলৈ পাইছো সি সঁচাকৈয়ে একেবাৰে দুখলগা। আজি অসমত এইবিধ ব্যৱসায়ৰ উন্নতি সাধন কৰিবৰ কাৰণে এটা 'মীন উন্নয়ন নিগম' প্ৰতিষ্ঠা কৰা হৈছে। কিন্তু এই নিগমৰ পৰা আমি যিমান খিনি উপকাৰ পাব লাগিছিল সেই অনুপাতে উপকাৰ পোৱা পৰিলক্ষিত হোৱা নাই। আজি অন্য কথাই নকওঁ বৰ্ত্তমান ধুবুৰী জিলাত চালেশ্বৰ নামে এটা বিল আছে। যোগীঘোপাৰ ওচৰত দলনী নামে বিল আছে। গোৱালপাৰাত টামৰাঙ্গা নামৰ বিল এখন আছে। এই বিলবোৰত মাছৰ উন্নতিৰ কাৰণে ইমান সুবিধা আছিল কিন্তু সেই অনুপাতে তাৰ উন্নতি সধা হোৱা নাই।

Mr. Speaker—Order, order. Shri Doloi will resume his speech to-morrow. The House stands adjourned till 10 A. M to-morrow the 6th September, 1983.

## Adjournment

The House then rose at 5 p. m. and stood adjourned till 10 A. M. on tuesday, the 6th September, 1983

**P. D. Barua**
Secretary
Assam Legislative Assembly

Dated, Dispur
the 5th September, 1983